## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Kolkota (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, [illegible] | Edition: |
| Size: 21 cms | Genre: magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: [illegible]. 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

অমিয় বসুর


| বিষয় | পৃষ্ঠা সংখ্যা |
| --- | --- |
| গীতি | ২৮৯ |
| সম্পাদকের চর্চা | ২৯০ |
| গোটা দেশের কথা | ২৯৯ |
| সম্পাদকের সম্বন্ধে দুটি-একটি কথা | ৩০১ |
| শূন্য কথা | ৩১১ |
| বরবরুয়ার চিঠি | ৩১৫ |
| বরবরুয়ার কবিতার ঝিরঝিরানি | ৩১৯ |
| গ্যাস্টোন প্রতি কবিতা | ৩২০ |
| জুতুজীবে চিঠি | ৩২১ |
| বরবরুয়ার জুতুলী কাকভর বাতাসি | ৩২৩ |
| উত্তীন কাবিস্তিক স্বর্গীয় বুন্দর পায়ডাবেশ | ৩২৪ |
| নগা কথা | ৩২৬ |
| ভুতকে | ৩২৯ |
| বিলাতের কথা | ৩৩১ |
| বিষয়ের নাম | ৩৩৫ |

FAMILY LIBRARY
COMPANY BAGAN ROAD,
GAUHATI, ASSAM.



# গীত।

পৰমানন্দ হে!
আনন্দ দিয়াঁ শুষ্ক প্ৰাণত,
আনন্দ দিয়াঁ হে!

( তোমাৰ ) আনন্দ-কণাই ফুলায় ফুল,
প্ৰেম এবিন্দুত সাগৰ কল্লোল,
বিশ্বাসৰ এটি ক্ষুদ্ৰ হিল্লোলে
মলয় মৰুৎ বোৱায় হে!

( মোৰ ) তাপিত পৰাণ পৰিছে জঁয়,
ব্যথিত হৃদয় দুখ শোকময়,
সিঁচা হে তোমাৰ কৰুণাবাৰি,
সজীব কৰি লোৱাঁ হে।

পৰমানন্দ হে!
"আনন্দাৎ ইমানি ভূতানি জায়ন্তে,
আনন্দেন জাতানি জীৱন্তি,
আনন্দং প্ৰয়ন্তি অভিসংবিশন্তি,
আনন্দং নন্দনাতীতম্ হে।"

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

# সম্পাদকৰ চৰা।

## শ্ৰীকৃষ্ণ-কথা।

ভাৰতবৰ্ষত হিন্দুধৰ্ম্মৰ যিটো বাই সোঁত, সেই সোঁতাটো অতি প্ৰাচীন বৈদিক কালৰে পৰা আজিলৈকে ধাৰ নিছিগাকৈ যে বৈ আছে তাত সন্দেহ নাই। অৱশ্যে সেই সোঁতাত নানা ঠাইৰ নানা সৰু বৰু সুঁতি মিহলি হৈ পৰি নানা বৰণ দিছে হয়, কিন্তু আচল বাই সোঁতাৰ ঘাই প্ৰকৃতি পৰিবৰ্ত্তিত হোৱা নাই। নানা ধৰ্ম্ম-সংস্কাৰক, নানা ধৰ্ম্মপ্ৰচাৰক, নানা ভাবুক, নানা চিন্তাশীল লোকৰ কাৰ্য্য আৰু চিন্তা আৰ্য্য হিন্দুধৰ্ম্মৰ ঘাই ধাৰাত পৰিছে ঠিক, কিন্তু সকলোবোৰ সামৰি লৈ সেই প্ৰধান ধাৰা অনন্ত মহিমান্বিত অনন্ত সমুদ্ৰ পৰমব্ৰহ্মৰ ফালে বৰই লাগিছে। এইবাবে বেদৰ আৰ্য্য বা হিন্দুধৰ্ম্মক সনাতন ধৰ্ম্ম বোলে, আৰু বোলাটো যুক্তিযুক্ত।

উপনিষদৰ গভীৰ চিন্তা, বেদান্তৰ প্ৰগাঢ় তত্বমীমাংসা, গীতাৰ অত্যাশ্চৰ্য্য সৰ্ব্বধৰ্ম্মসমন্বয়, ইত্যাদিৰ ঘাত-প্ৰতিঘাতত হিন্দুধৰ্ম্মৰ আলোড়ন বিক্ষোভন হৈছে, কিন্তু সেই সকলোবোৰ হিন্দুধৰ্ম্মৰ বিশাল গৰ্ভতহে, বাহিৰত নহয়।

> "গৰ্ভত থাকন্তে উদৰত ঘালে পাৱ।
> তাৰ অপৰাধক নধৰে যেন মাৱ॥"—শঙ্কৰদেৱ।

হিন্দুধৰ্ম্মই, নিজৰ উদৰত সেই আলোড়ন বিক্ষোভন আৰু পদাঘাত কৰোঁতা শিশুসকলক ক্ষমা কৰি নিজৰ গৰ্ভভাৰ বৈ আহিছে। বৌদ্ধধৰ্ম্ম হিন্দুধৰ্ম্মৰ ইমান প্ৰবল প্ৰতিবাদ, কিন্তু হুঙ্কৰূপে চালে সিও গুৰিতে হিন্দুধৰ্ম্মৰ কুক্ষিৰ ভিতৰৰ পৰা বাহিৰ হব পৰা নাছিল। বৌদ্ধধৰ্ম্মৰ ভেটি প্ৰধানতঃ সাংখ্য দৰ্শন। আৰু বৌদ্ধ ধৰ্ম্ম হিন্দু ধৰ্ম্মৰ বিদ্ৰোহী কিন্তু নিজা সন্তান।

সনাতন হিন্দুধৰ্ম্মৰ প্ৰশস্ত ধাৰা পৰিত্যাগ কৰি ভাৰতত কোনো ধৰ্ম্ম প্ৰতিষ্ঠাপিত হোৱা নাই আৰু হব পৰা নাই। সেইদেখি বেদ উপনিষদৰ আগত ভাৰতৰ সকলো ধৰ্ম্মই আঁঠু লৈছে, আৰু তাক Revelation ঈশ্বৰৰ বাণী বুলি স্বীকাৰ কৰি আহিছে। গাৰ বলেৰে অল্পবুদ্ধিৰ মানুহে প্ৰকৃত বেদ উপনিষদ উৰাই দিব খুজিব পাৰে, কিন্তু অলপ গভীৰকৈ চিন্তা কৰিলে আৰু সেই ঔদ্ধত্য নাথাকে, তাক অভ্ৰান্ত সত্যবাণী বুলি মানিবই লাগিব। অৱশ্যে বেদৰ ভিতৰত, যি কাৰণতেই হওক দুটা ভাগ আছে,—জ্ঞানকাণ্ড আৰু কৰ্ম্মকাণ্ড। ঘাই ভাগ



অৰ্থাৎ জ্ঞানকাণ্ড যে নিত্য আৰু অভ্ৰান্ত তাক স্বীকাৰ কৰিবই লাগিব। কৰ্ম্মকাণ্ডও অনাহকত যে তাৰ অন্তৰ্গত হৈছিল এনে নহয়, এতিয়া নাথাকিলেও সেই কালত তাৰো উপযোগিতা নিশ্চয় আছিল।

বেদ আৰু উপনিষদ আৰ্য্যসকলৰ অক্ষয় কীৰ্ত্তিস্তম্ভ। বেদ উপনিষদত যিবোৰ অমূল্য-ৰত্ন নিহিত আছে, সেইবোৰৰে সাৰ ভাগৰ অনুগত অৰ্থ অৱলম্বন কৰি স্মৃতিশাস্ত্ৰবোৰ প্ৰণীত হৈছে। শ্ৰীমদ্‌ভগবদ্‌গীতাও শ্ৰুতিৰ অন্তৰ্গ। গীতাৰ প্ৰায় সৰ্ব্বাঙ্গই উপনিষদৰ হাড় মগজুৰে গঠিত। গীতাৰ অনেক থলত উপনিষদৰ বাক্যবোৰ হুবহু ব্যৱহৃত হৈছে, কোনো কোনো থলত অলপ পৰিবৰ্ত্তিত ৰূপে ব্যৱহৃত হৈছে, আৰু কোনো থলত ভাববোৰ বিশদৰূপে ব্যাখ্যাত হৈ ব্যৱহৃত হৈছে। উপনিষদ আৰু গীতা মিলাই মন দি পঢ়োঁতাসকলৰ চকুত এইটো নপৰি নাথাকে। এইবাবে গীতাৰ মাহাত্ম্যৰ বিষয়ে এই দৰে কোৱা হৈছে—

> "সৰ্ব্বোপনিষদো গাবো দোগ্ধা গোপাল-নন্দনঃ।
> পাৰ্থো বৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতং মহৎ॥"

শ্ৰীমাধৱদেৱে এই শ্লোকৰ কৰা অনুবাদঃ—

> "সকল উপনিষদ ধেনু, দোগ্ধা ভৈল তাৰ নন্দসুত
> তাৰ বৎস ভৈল কুন্তীসুত ধনঞ্জয়।
> দুগ্ধ ভৈল মহা গীতামৃত, কৃষ্ণৰ চৰণে দিয়া চিত্ত,
> সুবুদ্ধিসকলে সন্তোষে পান কৰয়॥"

***

গীতাত শ্ৰীকৃষ্ণই কৈছে—

> "দ্বাবিমৌ পুৰুষৌ লোকে ক্ষৰশ্চাক্ষৰ এব চ
> উত্তমঃ পুৰুষস্তন্যঃ পৰমাত্মেত্যুদাহৃতঃ॥

ক্ষৰ পুৰুষ অৰ্থাৎ প্ৰকৃতি বা জগৎ, অক্ষৰ পুৰুষ অৰ্থাৎ কূটস্থ হিৰণ্যগৰ্ভৰূপী শ্ৰেষ্ঠ পুৰুষ; এই দুই পুৰুষতকৈও শ্ৰেষ্ঠ পৰমাত্মা মহান্ ঈশ্বৰ একজন আছে। এই পৰমাত্মা মহান্ ঈশ্বৰকে গীতাত পুৰুষোত্তম বুলিছে। ঘোষাত ওপৰৰ শ্লোকৰে ভাঙনি এই দৰে দিছেঃ—

> "ক্ষৰ পদে দুইটো দেহক বোলয়,
> অক্ষৰ শবদে ব্ৰহ্ম।

মুইতো ৰবি হবি উত্তম নিৰিখে,
প্ৰখ্যাত পুৰুষোত্তম ॥"

আৰো কৈছে—

ঈশ্বৰ সেৱা কৰন্তে জীৱৰ
গুচয় মায়াৰ ভ্ৰম।
ব্ৰহ্মপদে শুদ্ধ জীৱক বোলয়,
ঈশ্বৰ পৰমব্ৰহ্ম ॥

ব্ৰহ্মাংশ জীৱই ঈশ্বৰৰ সেৱা কৰোঁতে কৰোঁতে মায়াৰ হাত এৰাই ব্ৰহ্মস্বৰূপ প্ৰাপ্তি হয়। বেদান্ত কথিত "সোঽহং" আৰু শঙ্কৰাচাৰ্য্য ব্যাখ্যাত 'তত্ত্বমসি"ৰ প্ৰকৃত তৎপৰ্য্যও এয়েহে। গীতোক্ত এই পুৰুষোত্তমেই শ্ৰুত্যুক্ত পৰমাত্মা যাৰ বিষয়ে উপনিষদৰ ঋষিয়ে অলপ জানি আনন্দত গদ্গদ হৈ কৈছে—

"বেদাহমেতং পুৰুষং মহান্তম্,
আদিত্য বৰ্ণং তমসঃ পৰস্তাৎ।
তমেব বিদিত্বা অতি মৃত্যুমেতি,
নান্যঃ পন্থা বিদ্যতে ঽনায়।"

অৰ্থাৎ সূৰ্য্যৰ নিচিনা স্বপ্ৰকাশ, অজ্ঞান আৰু অন্ধকাৰৰ পৰপাৰত থকা এই মহান্ পুৰুষক মই জানিছোঁ। তেওঁক জানিয়েই সাধকে মৃত্যুক অতিক্ৰম কৰে; এওঁৰ বাহিৰে অমৃতত্ব লাভৰ আন পথ নাই।

গীতাতো শ্ৰীকৃষ্ণই এই আদিত্যবৰ্ণ স্বপ্ৰকাশ পুৰুষৰ কথা কৈছে—

"কবিং পুৰাণমনুশাসিতাৰম্
অণোৰণীয়াং সমনুস্মৰেদ্ যঃ।
সৰ্ব্বস্য ধাতাৰমচিন্ত্যৰূপম্
আদিত্য বৰ্ণং তমসঃ পৰস্তাৎ॥"

এই মহান্ পুৰুষৰ ওপৰত কোনো প্ৰভু নাই—"ন তস্য কশ্চিৎ পতিৰস্তি লোকে" উপনিষদে কৈছে; আৰু কৈছে—তেওঁ ঈশ্বৰসকলৰো মহেশ্বৰ "তমীশ্বৰাণাং পৰমং মহেশ্বৰম্ ।" "বেদে চ প্ৰথিতঃ" অৰ্থাৎ বেদেও এই মহেশ্বৰ পৰমাত্মাকে পুৰুষোত্তম বুলি কৈছে। শ্ৰুতিত যাক পৰমাত্মা পৰমব্ৰহ্ম বুলিছে গীতাই তেওঁকে



পুৰুষোত্তম বুলিছে। শ্ৰীকৃষ্ণই গীতাত তেৱেঁই সেইজন বুলি পৰমভক্ত অৰ্জ্জুনক চিনাই দিছে। তেৱেঁই ওঁ ইতি একাক্ষৰ ব্ৰহ্ম :—

"ও মিত্যেকাক্ষৰং ব্ৰহ্ম ব্যাহৰন্ মামনুস্মৰন্।
যঃ প্ৰয়াতি ত্যজন্ দেহং স যাতি পৰমাং গতিং ॥" গীতা।

গীতাৰ ৯ম অধ্যায়ৰ ১৭শ শ্লোকত তেওঁ স্পষ্ট [illegible]ছে—
মই ওঁ কাৰ। ভাগৱতত এই ওঁ কাৰকে ব্ৰ[illegible]ত্মা বুলি কৈছে—

"ত তাহভূৎত্ৰিবৃদ্ ওঁ কাৰো [illegible] প্ৰভবঃ স্বৰাট।
যত্তল্লিঙ্গং ভগৱতো ব্ৰহ্মণঃ [illegible]।"

ইয়াৰ মানে: - ইয়াৰ পিছত সেই শব্দৰূপৰা [illegible] বিশিষ্ট ওঁকাৰ ওলাল, যি স্বপ্ৰকাশ, আৰু ভগৱন্ত ব্ৰহ্ম পৰমাত্মাবাচক।

বিষ্ণুপুৰাণে কৈছে—

"ভগবানপি গোবিন্দো বাসুদেবাত্মকং পৰং।"
"ততস্তৎ পৰমং ব্ৰহ্ম পৰমাত্মা জগন্ময়ঃ।
সৰ্ব্বগঃ সৰ্ব্বভূতেশঃ সৰ্ব্বাত্মা পৰমেশ্বৰঃ॥"
"ব্ৰহ্মাক্ষৰমজং নিত্যং যথাসৌ পুৰুষোত্তমঃ।"

আৰো—

"ন সন্তি যত্ৰ সৰ্ব্বেশে নাম জাত্যাদি কল্পনাঃ।
সত্তামাত্ৰাত্মকে জ্ঞেয়ে জ্ঞানাত্মন্যাত্মনঃ পৰে ॥
স ব্ৰহ্ম তৎপৰং ধাম পৰমাত্মা স চেশ্বৰঃ।
স বিষ্ণুঃ সৰ্ব্বমেবেদং যতো নাবৰ্ত্ততে যতিঃ ॥
ঋগ্ যজুঃ সামভিৰ্মাৰ্গৈঃ প্ৰবৃত্তৈৰিজ্যতে হ্যসৌ।
যজ্ঞেশ্বৰো যজ্ঞপুমান্ পুৰুষৈঃ পুৰুষোত্তমঃ ॥"

ইয়াৰ অৰ্থ—যাত নাম আৰু জাতি আদিৰ কল্পনা নাই, যি মাথোন জ্ঞান স্বৰূপ হৈ অৱস্থিত, তেৱেঁই পৰমব্ৰহ্ম তেৱেঁই পৰমধাম, তেৱেঁই পৰমাত্মা আৰু সকলোৰে মহেশ্বৰ। তেওঁক পাই যোগীসকল আৰু সংসাৰলৈ উভতি নাহে। ঋক্ যজু সাম বেদাদি কথিত মাৰ্গেৰে সেই পৰমাত্মা পুৰুষোত্তমকে পূজা কৰা হয়।

শ্ৰীকৃষ্ণই এই কাৰণেই মই বুলি ভক্তক কৃপা কৰি কৈ দিছে। তেওঁ গীতাত কৈছে "মমৈবাংশো জীৱলোকে জীৱভূতঃ সনাতন", অৰ্থাৎ জীৱভূত সনাতন অৰ্থাৎ

নিত্য অক্ষৰ পুৰুষ তেওঁৰে ( অৰ্থাৎ তেওঁ পৰমব্ৰহ্ম পৰমাত্মা পুৰুষোত্তমৰ ) অংশ। সেইদেখি তেওঁ ক্ষৰতকৈ যে উত্তমেই, অক্ষৰ পুৰুষতকৈও উত্তম। এই পুৰুষোত্তমেই বিষ্ণু "যো বিশ্বং ভুবনমাবিবেশ" "যো অগ্নৌ যো অপসু, য ওষধিষু, যো বনস্পতিষু, যাৰ "তদ্বিষ্ণোঃ পৰমং পদং সদা পশ্যন্তি সুৰয়ঃ দিবীৱ চক্ষুৰাততং।"

গীতাত তেওঁ অৰ্জ্জুনক কৈছে—.

> "অহং কৃৎস্নস্য জগতঃ প্ৰভৱঃ প্ৰলয় স্তথা।
> মত্তঃ পৰতৰং নান্যৎ কিঞ্চিদস্তি ধনঞ্জয় ॥"

ইয়াৰ মানে—যি গোটেই জগতৰ উৎপত্তি আৰু প্ৰলয়ৰ গুৰি, যাতকৈ শ্ৰেষ্ঠ আৰু একো নাই, তেৱেঁই মই।

"অহমাত্মা গুড়াকেশ সৰ্ব্বভূতাশয়স্থিতঃ" অৰ্থাৎ সৰ্ব্বভূতৰ হৃদয়স্থিত যি আত্মা তেৱেঁই মই। "ময়া ততমিদং সৰ্ব্বং জগৎ"—অৰ্থাৎ যি এই গোটেই জগৎ ব্যাপি আছে তেৱেঁই মই।

> "যো মামজমনাদিঞ্চ বেত্তি লোক মহেশ্বৰম।
> অসংমূঢ়ঃ সমৰ্ত্তোষু সৰ্ব্ব পাপৈ প্ৰমুচ্যতে ॥"

অৰ্থাৎ যি মোক কেতিয়াও জন্ম নোহোৱা অনাদি পুৰুষ মহেশ্বৰ বুলি জানে সি সকলো পাপবুপৰা মুক্ত হয়।

> "উপদ্ৰষ্টানুমন্তা চ ভৰ্ত্তা ভোক্তা মহেশ্বৰঃ।
> পৰমাত্মেতি চাপ্যুক্তো দেহেঽস্মিন পুৰুষঃ পৰঃ ॥"

ব্ৰহ্মবৈবৰ্ত্ত পুৰাণত কৈছে—

"সৰ্ব্ব বীজং পৰং ব্ৰহ্ম কৃষ্ণ ইত্যভিধীয়তে" অৰ্থাৎ সকলোৰে বীজস্বৰূপ যি পৰব্ৰহ্ম তেৱেঁই কৃষ্ণ বুলি অভিহিত হৈছে।

শ্ৰীমদ্ভাগৱতৰ লীলাবাদ বেদান্ত ধৰ্ম্মৰেই বিকাশ আৰু পৰিণতি। শ্ৰীকৃষ্ণ বেদান্ত প্ৰতিপাদ্য পৰব্ৰহ্ম। শ্ৰীমদ্ভাগৱত ওপৰে ওপৰে পঢ়ি শ্ৰীকৃষ্ণতত্ত্ব আলোচনা কৰিবলৈ যোৱাৰ হৃদয়ত কৃষ্ণতত্ত্ব প্ৰকাশ নহয়। কৃষ্ণতত্ত্ব বেদৰ গুপ্তবিত্ত, ভাগৱতত প্ৰকাশিত।

> "বেদৰ গুপুত বিত্ত নাৰায়ণ এ,
> দেৱকীৰ হস্তে সাক্ষাতে ভৈলা বিদিত।"



বেদান্ত defination সূত্ৰ; ভাগৱতত তাৰ explanation and examples ব্যাখ্যা আৰু উদাহৰণ। মানুহৰ হৃদয়ে ৰসময় আনন্দময় আৰু নিত্য-প্ৰেমময় বস্তুক চিৰকাল বিচাৰি ফুৰিছে। মানুহে যে তেওঁক সৰ্ব্বতোভাৱে পাব পাৰে, এয়ে বেদান্ত শাস্ত্ৰৰ অভিপ্ৰায়। এই অভিপ্ৰায়ৰ সাফল্য ভাগৱত বৰ্ণিত বৃন্দাবনৰ কৃষ্ণলীলাত। ভাগৱতে দেখুৱাই দিলে যে মানুহে চিৰকাল বিচাৰি ফুৰা সেই নিত্য-প্ৰেমময় ৰসময় বস্তুক বৃন্দাবনৰ গোপ গোপী আন কি গৰু-গাইবোৰেও পালে; সকলো ইন্দ্ৰিয়ৰ দ্বাৰাই প্ৰাণ মন আৰু হৃদয়েৰে তেওঁক উপভোগ কৰিলে। ঈশ্বৰ যে ৰসস্বৰূপ—"ৰসো বৈসঃ"—অৰ্থাৎ আস্বাদনৰ বস্তু, এইটো, শ্ৰীকৃষ্ণই বৃন্দাবনৰ লীলাত গোপ-গোপীসকলৰ দেহ, ইন্দ্ৰিয়, মন, বুদ্ধি আৰু আত্মাত আবিৰ্ভূত হৈ প্ৰতিপাদন কৰিলে। অধ্যাত্মবিজ্ঞান অৰ্থাৎ Science of the Eternal Soul, শ্ৰীমদ্ভাগৱতত concrete ভাৱে বিবৃত হৈছে ঈশ্বৰে কেনেকৈ স্বৰূপ, মানুহৰ ভিতৰত মানুহে বুজিব পৰাকৈ, অনুভৱ আৰু উপভোগ কৰিব পৰাকৈ,প্ৰকাশ কৰে শ্ৰীমদ্ভাগৱতত সেইটোকেই বৰ্ণিত হৈছে। অসীমে সীমাৰ ভিতৰত কেনেকৈ আত্মপ্ৰকাশ কৰে সেইটোকে ভাগৱতত দেখুৱা হৈছে। অসীম সুন্দৰ পৰমানন্দ বস্তু আমাৰ চেতনাত ( consciousness ) কেনেকৈ সত্য হৈ উঠে, আমি চকুৰে যি দেখিছোঁ, কাণেৰে যি শুনিছোঁ, তাৰ ভিতৰত যদি আমি নিত্য পৰমানন্দ পৰমাত্মা বস্তুৰ চিনাকী পাওঁ, আৰু সেই বস্তুৰে সৈতে যদি আমাৰ দৈনিক জীৱনৰ সকলো সম্বন্ধ অবিচ্ছিন্ন ভাৱে থাকে, তেনে হলে বৃন্দাবনত কৃষ্ণলীলা হয়, আমাৰ হৃদয়ত বৃন্দা অৰ্থাৎ আনন্দৰ অৱন অৰ্থাৎ ৰক্ষণ বা স্থান হয়, আৰু পৰমাত্মা পৰব্ৰহ্ম শ্ৰীকৃষ্ণৰ নিত্যলীলা হয়,—"ৰসংহ্যেবায়ং লব্ধানন্দীভৱতি।"

শ্ৰীমদ্ভাগৱত ওপৰে ওপৰে পঢ়ি তাৰ অৰ্থ বিচাৰ কৰা অনৰ্থ। কৃষ্ণতত্ত্ব ওপৰ-চকুৱাৰ বস্তু নহয়, ওপৰ-চকুৱাৰ শ্ৰীমদ্ভাগৱতৰ দুৱাৰ-মুখতে প্ৰথমতে "প্ৰবেশ নিষেধ" ডাঙৰ ডাঙৰ আখৰেৰে লেখা আছে। ভগৱদ্ভক্তিত ৰসিক আৰু ভাবুক সকলহে শ্ৰীমদ্ভাগৱতৰ প্ৰকৃত অৰ্থৰ, আচল মৰ্ম্মৰ অধিকাৰী। শ্ৰীমদ্ভাগৱতেই স্পষ্টকৈ কৈ দিছে কেনেকৈ ভাগৱত শ্ৰৱন কৰিব লাগে, আৰু পঢ়িব লাগে।

> "পিবত ভাগৱতং ৰসমালয়ং মুহু ৰহো ৰসিকা ভুবি ভাবুকাঃ।"

ইয়াৰ মানে—এই পৃথিৱীত যিসকল ভাবুক আৰু ৰসিক তেওঁলোকে এই ভাগৱত ৰস পান কৰক। ভাগৱত, কৃষ্ণপ্ৰেমত অৰসিক আৰু সাধাৰণ পল্লৱগ্ৰাহী

কৃটিক্‌ৰ (critic) বস্তু নহয়। ভাগবতে বহিৰ্ম্মুখসকলক সংসাৰ বা মৃত্যু দিয়ে, আৰু অন্তৰ্ম্মুখসকলক অমৃত দিয়ে। কৃষ্ণকথা শুনিবলৈ অন্তৰ্দ্দৃষ্টি হব লাগিব। সেয়ে নহলে পঢ়োঁতা শুনোতাৰ পদে পদে কৃষ্ণকথাত আসোঁৱাহ ওলাব। ভাগৱত অধ্যাত্মতত্ত্বৰ নিগূঢ়তম দাৰ্শনিক শাস্ত্ৰ, "নিগম-কল্পতৰোৰ্বিগলিতং ফলম্।"

"বীৰ্য্যানি তস্যাখিল দেহভাজামন্তৰ্বহিঃ পুৰুষকালৰূপৈঃ।
প্ৰযচ্ছতো মৃত্যু মুতামৃতঞ্চ মায়া মনুষ্যস্য বদস্ব বিদ্বন্॥"

ইয়াৰ মানে—পৰীক্ষিতে শুকদেৱক কৈছে যে সেই মায়ামনুষ্য' ভগৱন্তৰ বীৰ্য্যসকল বৰ্ণাওক যি সমস্ত দেহাৰ অন্তৰ আৰু বাহিৰত পুৰুষ আৰু কালৰূপে বৰ্ত্তমান থাকি সংসাৰ আৰু মোক্ষ প্ৰদান কৰিছে। অন্তৰ্দ্দৃষ্টি হৈ কৃষ্ণকথা নুশুনিলে কৃষ্ণকথা বুজিব নোৱাৰি, আৰু সকলো চেষ্টা বিফল হয়, আৰু বৰং সি সংসাৰ আৰু মৃত্যু হে আনি দিয়ে। এইবাবে ব্যাসে ভাগৱত বুজাৰ সম্পৰ্কে কৈছিল—

"অহং বেদ, শুকো বেদ, বিদুৰো বেদ বা নবা।
ভক্ত্যা ভাগৱতং বেত্তি, ন বুদ্ধ্যা ন চ টিকয়া॥"
"সনক সনন্দ যোগী যাহাক ধিয়ায়।
সকল নিগমে যাক বিচাৰি নাপায়॥"

যি "অবাঙমনসগোচৰ" এনেজন পৰমব্ৰহ্ম বৃন্দাবনত গৰখীয়া লৰাৰে সৈতে গৰু চৰাই গল, "যাক যোগী নপাৱে ধ্যানত। হেন হৰি পলাস্ত ভয়ত॥" যাক যোগীয়েও ধ্যান কৰি নাপায়, এনে বস্তু যশোদাৰ ভয়ত পলাই ফুৰিছিল, এনেবোৰ কথা কোনে পতিয়াব? সেই কালৰ পণ্ডিত, জ্ঞানী, প্ৰবল ৰজা, আৰু বুদ্ধিমানসকলেও পতিৱা নাছিল, এই কালৰ পাশ্চাত্য শিক্ষাত শিক্ষিতসকলেও পতিয়াব নোৱাৰে। আন কি, সেই কালত ব্ৰহ্মাইও ব্ৰহ্মমোহন ঘটনাৰ আগেয়ে সম্পূৰ্ণৰূপে নিঃসন্দেহৰূপে বুজিব পৰা নাছিল। প্ৰবল পৰাক্ৰান্ত ৰজা কংস, শিশুপাল, দন্তবক্ৰ, জৰাসন্ধ নিজৰ বল শক্তিত মত্ত, তেওঁলোকে এই পৰম বস্তুক কেনেকৈ বুজিব? দৰ্পী দুৰ্য্যোধনে তেওঁক কেনেকৈ বুজিব? সেইদেখি নিজৰ সভাত দুৰ্য্যোধনে তেওঁক বন্দী কৰি থব খুজিছিল। কিন্তু দুৰ্য্যোধনৰ সাধ্য কি? সেই কাৰ্য্য "গোৱালী" যশোদাৰ হে সাধ্য—"যাৰ মায়া পাশে বন্দী ব্ৰহ্মা আদি কৰি। গোৱালীৰ হাতে বন্দী ভৈলা হেন হৰি॥" তেওঁ যশোদাৰ বন্ধন আপুনি স্বীকাৰ কৰি লগে—"স্নেহে লৈলা আপুনি বন্ধন।" গোকুলৰ গোপ



গোপীসকলে তেওঁক বুজিছিল, পাইছিল—ভক্তিৰে। যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞত শিশুপালে তেওঁক নথৈ নিন্দা কৰিছিল। সেই নিন্দাবোৰ শিশুপালৰ point of viewত সঁচা কথা, কাৰণ শিশুপালৰ চকুত মনত বুদ্ধিত কৃষ্ণৰ কাৰ্য্যবোৰ যেনেকৈ প্ৰতিভাত হৈছিল, যেনেকৈ ধাৰণা হৈছিল, শিশুপালে ঠিক তাকে হে কৈছিল। ভীষ্ম, পাণ্ডৱ, বিদুৰ, অক্ৰুৰ এওঁলোকৰ অন্তৰ্দ্দৃষ্টিত মন বুদ্ধিত কৃষ্ণৰ কা[illegible] আন প্ৰকাৰে প্ৰতিভাত হৈছিল, কাৰণ তেওঁলোকৰ হৃদাকাশ কৃষ্ণচন্দ্ৰ প্ৰকাশিত হবৰ পক্ষে সুনিৰ্ম্মল আছিল, নাৰায়ণৰ ভক্তিৰে তেওঁলোকৰ মন মথিত হৈ আছিল। এতিয়াও যিসকলে প্ৰেম ভক্তিৰ অন্তৰ্দ্দৃষ্টি বিৰহিত হৈ বহিৰ্ম্মুখ হৈ কৃষ্ণচৰিত্ৰ বুজিবলৈ যায়, তেওঁলোকে আগৰ শিশুপাল জৰাসন্ধ আৰু আজিকালিৰ খৃষ্টান মিশ্যনেৰি আৰু অধিক ভাগ পাশ্চাত্য শিক্ষাত-শিক্ষিত আমাৰ দেশী মানুহৰ নিচিনাকৈ যে কৃষ্ণক দেখিব তাত আচৰিত নাই। আনে সেই কৃষ্ণ বস্তুক বুজা তো দূৰৰ কথা, তেওঁ নিজৰ বংশ পৰিয়াল পাতি সমন্ধ লগাই যিসকলৰ ভিতৰত আছিল, সেই যদুবংশৰে লোকসকলেও তেওঁক বুজিব নোৱাৰিলে। কৃষ্ণৰ প্ৰয়াণৰ পিছত উদ্ধৱে যমুনাৰ তীৰত বিদুৰক লগ পাই এই কথাকে কান্দি কান্দি কৈছিল—

"ক্ষীৰ সাগৰত আছিলন্ত শশধৰ।
মাছে যেন বোলে ইয়ো এক জলচৰ॥
সেহি মতে ঈশ্বৰক পায়া যদুগণ।
মনে মানিলন্ত এন্তে জ্ঞাতি একজন॥"

• • • •

"দেখিয়ো কৃষ্ণৰ কেন কৰ্ম্ম বিড়ম্বন।
বসুদেৱ গৃহত অজৰ উতপন॥
যাৰ কটাক্ষতে হোৱে জগত বিনাশ।
কংস ভয়ে লয় তেন্তে গোকুলত বাস॥"

কৃষ্ণ পৃথিবীত থাকোতে কৃষ্ণক চিনা মানুহ দুই চাৰিজন মাথোন আছিল। ভীষ্মই চিনিছিল, আৰু সেই কথা তেওঁৰ মৃত্যুৰ সময়ত তেওঁ কৈ গৈছিল। বিদুৰে চিনিছিল, সেই কথা তেওঁ কৌৰৱক অলপ অচৰপ কৈছিল, কিন্তু মদগৰ্ব্বী কৌৰৱে ভিকহু বিদুৰৰ কথাত কি আস্থা প্ৰকাশ কৰিব? আৰু বিদুৰেও অপাত্ৰৰ কাণত কৃষ্ণকথা দান নকৰি কৌৰৱসকলৰ ধ্বংসৰ আগেয়ে তীৰ্থভ্ৰমণ কৰিবলৈ

শুচি গল। যমুনাৰ তীৰত দুই ভক্ত বিদুৰ উদ্ধৱৰ সংবাদত কৃষ্ণকথা প্ৰকাশিত হল—

"তীৰ্থ কৰি ফুৰন্তে বিদ্ধৰ মহাভাগ।
যমুনা-তীৰত উদ্ধৱক পাইলা লাগ॥
• • • •
আলিঙ্গি ধৰিল নয়নৰ বহে জল।
পুছিলন্ত যদু কুৰু কুলৰ কুশল॥
পুৰাণ পুৰুষ ৰামকৃষ্ণ অৱতৰি।
সুখে কি আছন্ত পৃথিবীৰ ভাৰ হৰি॥
• • • •
যাৰ যশ কীৰ্ত্তনে জগত আতি তৰে।
বাৰ্ত্তা কহ সখি হেন কৃষ্ণৰ সত্বৰে॥
পুছিলা বিদুৰ যেবে কৃষ্ণৰ কুশল।
মাধৱক স্মৰি ভৈল উদ্ধৱ বিহ্বল॥
পঞ্চ বৰিষতে যিতো ভোজনক এৰি।
শিশুলীলা কৰিয়া পুজন্ত মাত্ৰ হৰি॥
কৃষ্ণৰ সেৱাতে আৰে অতি প্ৰীতি ভৈল।
কহিবে নপাৰি কথা মৌন হুয়া ৰৈল॥
দুই দণ্ড চিন্তিলন্ত কৃষ্ণৰ চৰণ।
হৰিভক্তি অমৃতত মগ্ন ভৈল মন॥
শিহৰি শৰীৰ ভৈল সৰ্ব্বাঙ্গ পুলক।
চক্ষু মুদি আছে স্ৰবে ধাৰায় লোতক॥" কীৰ্ত্তন।

এই দুই ভগৱৎভক্ত ভাবুকৰ কথাত কৃষ্ণকথাৰ উত্থাপন। যুধিষ্ঠিৰ ৰজা হৈ অশ্বমেধ যজ্ঞ কৰাৰ পিছত যেতিয়া কৃষ্ণই দ্বাৰকালৈ যাবলৈ বিদায় লয়, কুন্তীয়ে আহি সেই সময়ত কৃষ্ণক প্ৰণাম কৰি কৃষ্ণৰ তত্ব যে অজ্ঞেয়, আৰু বৃন্দাবনত যে সেই পৰম পুৰাতন পুৰুষে "মানুষী" লীলা কৰিছিল, সেই কথাৰ উত্থাপন কৰিলে। কৃষ্ণ বৈকুণ্ঠলৈ যোৱাৰ পিছত অৰ্জ্জুনে আহি যুধিষ্ঠিৰক কৃষ্ণকথা কলে। কৃষ্ণ যোৱাৰ পিছত কৃষ্ণৰ সম্বন্ধে দকৈ আলোচনা হবলৈ ধৰিলে, আৰু কৃষ্ণকথা শুনিবলৈ আৰু



তেওঁৰ তত্ব বুজিবলৈ মানুহৰ আগ্ৰহ হবলে ধৰিলে। পিছত মৈত্ৰেয় বিদুৰৰ সংবাদত কৃষ্ণকথা সৃষ্টিতত্বৰে সৈতে মিল কৰি তাৰ প্ৰকৃত তত্বৰ আলোচনা হল। লাহে লাহে ভক্তহৃদয়ত কৃষ্ণতত্ব কৃষ্ণলীলাৰ ৰহস্য প্ৰকাশ হবলৈ ধৰিলে। তাৰ পিছত ব্যাসৰ চিত্তৰ অপ্ৰসন্নতা। নাৰদৰ উপদেশত ব্যাসে জুকিয়াই ভাগৱতত কৃষ্ণকথা ৰচনা কৰি কৃষ্ণতত্ব ব্যক্ত কৰিলে। শুকে বাপেকৰপৰা ভাগৱতৰ কৃষ্ণকথা শুনি সেই কথাৰ অমৃত ঔষধ পৰীক্ষিতক মৃত্যু কালত দি ভৱ-ৰোগমুক্ত কৰিলে। সূতে সেই অমৃতময় কথা শুনি আহি নৈমিষাৰণ্যত শৌণকাদি ঋষিসকলক শুনালে। শুনিবলৈ ব্যাকুল নহলে কোনেও কৃষ্ণকথা শুনিবলৈ নাপায়, শুনিলেও নুবুজে। ব্যাকুল হৈ ভাবুক অন্তৰ্দ্দৃষ্টি হৈ কৃষ্ণকথা পান কৰিলে হে কৃষ্ণকথাৰ আস্বাদ পোৱা যায়। ভক্তৰ হৃদয় হে কৃষ্ণকথাৰ ঠাই, দাম্ভিক, পাণ্ডিত্যাভিমানী তাৰ্কিক আৰু সংশয়যুক্তৰ হৃদয় নহয়। কৃষ্ণ ভক্ত ভাবুক ৰসিকৰ হে আস্বাদনৰ বস্তু।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---

# গোটাচেৰেক কথা।

তাঙ্গৰীয়া!

আপোনাৰ চতৰ বাঁহীত "চৰা" আৰু "বিশিষ্টাদ্বৈতবাদ" পঢ়ি অতি সন্তোষ পাইছোঁ, কিন্তু কিছুমান কথাৰ ভাব বুজিবলৈ অসমৰ্থ হইছোঁ; অনুগ্ৰহ কৰি বুজাই দিলে বৰ বাধিত হম।

১ম। আপুনি তান্ত্ৰিকধৰ্ম্মক কুসংস্কাৰসম্পন্ন কলুষিত বুলি লেখিছে, কি ভাৱত কলুষিত বুলিলে, কালক্ৰমেনে? নে স্বভাৱতেই? যদি কালক্ৰমে বোলাই উদ্দেশ্য, তেনেহলে সেই কথা সম্পূৰ্ণ সত্য, তাত কব লগীয়া একো নাই। প্ৰচাৰৰ কিছুকাল পাছত সকলো ধৰ্ম্মতে বিকৃতি ঘটে, কৃষ্ণ দেৱৰ বাক্যই তাৰ বিশিষ্ট প্ৰমাণ যথা—

ইমং বিবস্বতে যোগং প্ৰোক্তবানহমব্যয়ম্॥
স কালেনেহ মহতা যোগো নষ্টঃ পৰন্তপ! গীতা, ৪।১।২

যেতিয়া পৃথিৱীত ধৰ্ম্মআদিৰ বিপ্লৱ ঘটে, অৰ্থাৎ মনুষ্য শক্তিৰে কৰিব বুজিব পৰাৰ শেষ খাপ পায় গৈ, তেতিয়া গতি স্তম্ভিত হৈ উক্‌মুকনিয়ে ধৰে, তেতিয়াই হাতত ধৰি তুলিবলৈ এজন প্ৰজ্ঞানময় পুৰুষৰ প্ৰয়োজন হয়, সেই প্ৰয়োজনানুসাৰে কেতিয়াবা স্বয়ং বৈকুণ্ঠনাথ ধৰাধামত অৱতীৰ্ণ হয়, আকৌ কেতিয়া বা মুখ্য ভক্ত পঠিয়াই কাৰ্য্যসাধন কৰে, প্ৰয়োজনৰ গুৰুত্ব লঘুত্ব অনুসাৰে অৱতাৰৰো গুৰুত্ব লঘুত্ব হয়। যেনেকৈ বৰ্ত্তমানত কলিক খেদি সত্যক আনিবৰ নিমিত্তে স্বয়ং বৈকুণ্ঠ-নাথ নামি আহিবৰ প্ৰয়োজন হইছে। সেই ভাওনা কৰিবলৈ একেজন নাহে, একোটা দল আহে, তেওঁবিলাক সকলো সামৰ্থী, সেইগুণে সুকলমে নিজৰ নিজৰ কৰ্ত্তব্য শেষ কৰি গুচি যায়, সেই সামৰ্থী পুৰুষসকলৰ তেজ আৰু সামৰ্থ্য অনুসৰি সিবিলাকৰ উপদেশ বাক্যও সিবিলাকৰ পাছতো জীৱন্ত আৰু সবল হৈ পৃথিৱীত-স্থিতি কৰি ক্ৰমে ক্ৰমে লোপ পায়। শেষত কেৱল বাগাড়ম্বৰ থাকে। শঙ্কৰ দেৱৰ প্ৰচাৰিত ধৰ্ম্মতো নৌ ৫০০ বছৰ পূৰ্ণ হওঁতেই নানা কুসংস্কাৰ আৰু পাপ-সোমাই ধৰ্ম্ম-বৃৰৰ তেজ মাংস ছাল যে নোহোৱা কৰিলেই, যি জকাটো আছে তাৰো জোৰা শোলোকাই হাড় ডাল ডাল কৰিছে; বৰপেটা কমলাবাৰী, গোপালদেৱৰ ভাগ, বৰদোৱা, কোৱামৰা, দীঘলি, চামগুৰি আদি সকলোৱেই মহাপুৰুষীয়া, কিন্তু মত সকলোৰে বেলেগ বেলেগ। কোনটো শঙ্কৰদেৱৰ প্ৰকৃত মত তকা কোৱা টান হৈছে। তান্ত্ৰিক-ধৰ্ম্মৰো অৱস্থা তদ্ৰূপেই।

আৰু যদি তান্ত্ৰিকধৰ্ম্ম স্বভাৱতে কলুষিত বোলাই আপোনাৰ অভিপ্ৰায়, তেনে-হলে সেই কলুষিত ধৰ্ম্ম অৱলম্বন কৰি তান্ত্ৰিক যুগত এনে উদ্‌ঘাতি কেনেকৈ [illegible]ছিল যে তাৰ দ্বাৰাই অলৌকিক শক্তি লভি, অমানুষিক কৰ্ম্ম কৰি মানুহক [illegible]ত কৰিছিল। ঢাকাৰ নেহেৰ সিদ্ধ সৰ্ব্বানন্দ পূৰ্ণানন্দৰ ঐশী ক্ষমতাৰ প্ৰভাৱত কাশীধামৰ বৰ বৰ নিগমপন্থী পুৰুষসকল পলাবলৈ তত নেপাইছিল। আমাৰ দেশৰ মুকলিমূৰীয়া গোঁসাইৰ কথা আজিও মুখে মুখে শুনিবলৈ পোৱা যায়। ভুবনেশ্বৰীৰ ৺নিত্যানন্দ ব্ৰহ্মচাৰীও তান্ত্ৰিক আছিল, তেওঁৰো দৈৱীশক্তি বহুতে প্ৰত্যক্ষ কৰিছে। শুনা কথা এৰি দি নিজ চকুৰেই দেখিছোঁ, ১৯ বছৰ পূৰ্ব্বে যোগানন্দ তীৰ্থস্বামী নামে এজন তান্ত্ৰিক সাধকক প্ৰায় ৩ মাহ মোৰ ঘৰতে ৰাখি-ছিলোঁ, তেওঁৰ অলৌকিক শক্তি আৰু কৰ্ম্মৰ প্ৰত্যক্ষ ফল মই নিজে দেখিছোঁ, সঙ্গ দেখা মানুহো ২।৪ জন এতিয়াও বৰ্ত্তমান আছে। কলুষিত ধৰ্ম্ম অনুষ্ঠানত



কৰপৰা কেনেকৈ এনে শক্তি লভিলে? অন্যে যি কি নেভাবক, মোৰ মনক কেনেকৈ প্ৰবোধ দিম? বিশেষতঃ কলিৰ দুৰ্ব্বল হীনচেতা মানুহৰ নিমিত্তে সহজ আৰু আশুফলদায়কৰ কাৰণে তন্ত্ৰমতহে বিহিত আছে। অন্য শাস্ত্ৰৰ কথা এৰি কেৱল ভাগৱত বিচাৰিলেও দেখা যায়, স্বয়ং কৃষ্ণদেৱেও তন্ত্ৰ বিধিমতে পূজা কৰি-বলৈ বাৰম্বাৰ উপদেশ দিছে—

> বৈদিকস্তান্ত্ৰিকো মিশ্ৰ ইতি মে ত্ৰিবিধো মতঃ। ভাঃ ১১:২৭:৭:।

মোৰ মতে বৈদিক, তান্ত্ৰিক, আৰু উভয় মিশ্ৰ, এই তিনি প্ৰকাৰে [পূজা]

> এবং ক্ৰিয়াযোগ পথৈঃ পুমান্ বৈদিক তান্ত্ৰিকৈঃ।
> অৰ্চ্চন্নুভয়তঃ সিদ্ধিমত্তো বিন্দত্যভিপ্সিতং॥ ভাঃ ১১'২৭।২৯।

পুৰুষে এই প্ৰকাৰে বৈদিক তান্ত্ৰিক ক্ৰিয়াযোগ পথৰ দ্বাৰাই উভয় লোকতে অভিষ্টানুযায়ী সিদ্ধি মোৰ ওচৰত লাভ কৰে।

> যঃ আশুহৃদয়গ্ৰন্থিং নিৰ্জ্জিহীৰ্ষুঃ পৰাত্মনঃ।
> বিধিনোপচৰেদ্দেৱং তন্ত্ৰোক্তেন চ কেশবম্॥ ভাঃ ১১।৩।৪৭

যি সোনকালে অহঙ্কাৰ বন্ধন ছেদিবলৈ ইচ্ছা কৰে, তেওঁ তন্ত্ৰোক্ত বিধিৰে কেশৱক অৰ্চ্চনা কৰিব॥

এইয়ে যথেষ্ট। কোনো তান্ত্ৰিক সাধক নামধাৰীৰ কদাচৰণে ধৰ্ম্মক দূষণীয় কৰিব নোৱাৰে।

গত ফাল্গুনৰ বাঁহীত পূৰ্ণধৰিয়া (ভিতৰ সেৱা; পথকো কটাক্ষ কৰা হৈছিল। মঙ্গলদই অঞ্চলত এই মতাৱলম্বী লোকৰ সংখ্যা বেছি। প্ৰথমতে ময়ো ঘিণৰ চকুৰে চাইছিলোঁ। (২৫ বছৰৰ পূৰ্ব্বে)। ইবিলাকে মূৰ্ত্তি, ভাগৱত নুপূজে, শ্ৰেষ্ঠতম মহন্তকে পূজা কৰে, পূৰ্ণ সেৱা নামে এটা সেৱা পাতে, তাৰ স্থিতিকাল কৰ্ম্মকৰ্ত্তাৰ শক্তি অনুসৰি ৩, ৫ বা ৭ দিন; মহন্তজন সেইকেদিন এক আসনতে বহি পূজাৰ দ্ৰব্য খোৱা-পিয়া কৰে, অথচ টোপনি, শৌচ, প্ৰস্ৰাব আৰু উঠাউঠি নকৰে। কিনাৰাম বৈৰাগী নামে ৩ দিন বহিবৰ শক্তি থকা মহন্ত এজনৰ লগত মোৰ বিশেষ সম্ভাৱ আছিল। এইবিলাক দেখি শুনি কব লাগিব যে কি কৰ্ম্ম, কি অকৰ্ম্ম, কি আচাৰ ব্যৱহাৰ ভজনত কৃপাৰ সাগৰ কৃপা কৰি প্ৰসন্ন হয়, তাক আমাৰ দৰে সাধাৰণ মানুহে বুজা বৰ টান। বোধৰ অগম্য, জ্ঞানৰ অতীত।

যে যথা মাং প্ৰপদ্যন্তে তাংস্তথৈব ভজাম্যহং।

দয়াৰ ঠাকুৰৰ কি অ.বং ৰম! এই বাক্যই ধ্ৰুৱ সত্য।

২য়। গীতা ভাগৱতৰ ধৰ্ম্ম বলি আৰু প্ৰতিমাপূজা বিবৰ্হিত বুলি লেখিছে। কিন্তু ভাগৱতত প্ৰতিমা পূজাৰ বিধান দেখিবলৈ পোৱা যায়। ভক্তি ৯ বিধ। প্ৰকৃত পক্ষে ভক্তি একেবিধ, কাম ক্ৰোধ শ্ৰদ্ধা দয়া যেনে একোটা বৃত্তি ভক্তিও সেই দৰে এটা বৃত্তি—

সা পৰানুৰক্তিৰীশ্বৰে।—শাণ্ডিল্য সূত্ৰ।

সা চামৃত স্বৰূপাচ।—নাৰদ সূত্ৰ।

"আছে মনুষ্যৰ ইন্দ্ৰিয়ৰ বৃত্তি যত।

অযত্নে প্ৰবৰ্ত্তে যেন নানা বিষয়ত॥

সেহি মতে ইন্দ্ৰিয়ৰ বৃত্তি নিৰন্তৰে।

বিষয়ক এড়িয়া বিষ্ণুত ৰতি কৰে॥

নকৰে কামনা মাধৱক তেজি আন।

তাহাক বোলে ভাগৱতী ভকতি প্ৰধান॥" ৰত্নাৱলী।

এই ভক্তিকে গুণসঙ্গত, তামসিক, ৰাজসিক, সাত্বিক, আৰু নিৰ্গুণ এই চাৰিবিধ, আকৌ সাধন মাৰ্গত ৯ বিধ বুলি বৰ্ণিত হৈছে। কিন্তু এই ৯ বিধ কৰ্ম্মহে; যে ন কাণৰ কৰ্ম্ম শুনা, শ্ৰৱণ। জিভা মুখৰ কোৱা, গোৱা, কীৰ্ত্তন। মনৰ-স্মৰণ। অৰ্চ্চন, বন্দন, পদসেৱন ইও ইন্দ্ৰিয়বৰ্গৰ কৰ্ম্মই। দাস্য, সখিত্ব, শৰণ, ই মনৰ কৰ্ম্ম বা ভাব। এই কৰ্ম্মবিলাক ভক্তিসাধক, ভক্তিৰ লগত মিহলা মিহলি সম্বন্ধ, সেই বাবে ভক্তি বোলা হয়। অৰ্চ্চনাদি সাধন কৰা ভক্তক প্ৰতিমা পূজা কৰিবলৈ ভাগৱতে স্পষ্ট কৈছে—

মহাপুৰুষমভ্যৰ্চ্চেং মূৰ্ত্ত্যাভিমতয়াত্মনঃ। ভাঃ ১১।৩।৪৮

নিজৰ অভিমতানুযায়ী মূৰ্ত্তিত মহাপুৰুষক পূজিব।

আত্মনঃ তন্ময়ংধ্যায়ন্ মূৰ্ত্তিং সম্পূজয়েদ্ধৰেঃ। ১১।৩।৫৪

"হেনক্ৰমে ঈশ্বৰৰ মূৰ্ত্তিক পূজিব।

আপনাকো মনে মনে তন্ময় ভাবিব॥"

এইবিলাক নিমি ৰাজাৰ প্ৰতি নৱসিদ্ধৰ উপদেশ।

স্বয়ং কৃষ্ণদেৱে উদ্ধৱক কৈছিল—



শৈলী দাৰুময়ী লৌহী লেপ্যা লেখ্যা চ সৈকতী।

মনোময়ী মণিময়ী প্ৰতিমাষ্টবিধাঃস্মৃতা॥

চলা চলেতি দ্বিবিধা প্ৰতিষ্ঠা জীৱ মন্দিৰম্। ১১।২৭

শিলৰ, কাঠৰ, ধাতুৰ, মাটি, চন্দনৰ, চিত্ৰ, বালিৰ মনৰ আৰু মণিৰ এই আঠবিধ প্ৰতিমা, তাতে চলা অচলা দুবিধ, এইয়ে ভগৱন্তৰ মন্দিৰ।

আন আন প্ৰায় ধৰ্ম্মত সকলোৰে নিমিত্তে একেবিধ উপদেশ, কিন্তু আমাৰ ধৰ্ম্মত তেনে নহয় জ্ঞানবোধৰ অৱস্থা বুজি ব্যৱস্থা—

অগ্নৌ তিষ্ঠতি বিপ্ৰাণাং হৃদি বেদো মনিষীণাম্।

প্ৰতিমা স্বল্প বুদ্ধিনাম্ সৰ্ব্বত্ৰ বিদিতাত্মনাম্॥

উত্তৰ গীতা।

বিপ্ৰসকলে অগ্নিত, মনিষীসকলে হৃদয়ত, অল্পবুদ্ধিৰ মানুহে প্ৰতিমাত আৰু আত্মজ্ঞই সৰ্ব্বত্ৰত ঈশ্বৰক পূজা কৰিব।

এটা সাধাৰণ হালোৱাক তাড়িত বিজ্ঞান বুজাবলৈ চেষ্টা কৰা যেনে নিষ্ফল, অল্পবুদ্ধিৰ মানুহকো সৰ্ব্বত্ৰ বা হৃদয়ত ঈশ্বৰ পূজা কৰিবলৈ কোৱা তেনেকুৱা, অধিকাৰ অনুসাৰে উপদেশ বিহিত থকাই আমাৰ ধৰ্ম্মৰ প্ৰধান গৌৰৱ আৰু বিশেষত্ব।

শঙ্কৰদেৱ যে নিজে প্ৰতিমা পূজাৰ বিৰোধী আছিল, এনে প্ৰমাণ অতি সুলভ নহয়, চৰিত্ৰ অৱলম্বন কৰি তেওঁৰ সম্বন্ধে মত প্ৰকাশ কৰিবৰ হলে, কোনো কোনো চৰিত্ৰত এনে কথা আছে যাক আলোচনা কৰিবলৈ ঘিণ লাগে। সেই চৰিত্ৰ যে অল্পজ্ঞানী, অদূৰদৰ্শী লোকৰ দ্বাৰাই ৰচিত তাত লেশমাত্ৰও সন্দেহ নাই। প্ৰসঙ্গ স্থলত উল্লেখ নকৰি নোৱাৰিলোঁ,—দামোদৰ দেৱৰ চৰিত্ৰলেখকে লেখিছে—

"শিৱ দুৰ্গা গ্ৰাম্যদেৱ কৰয় পূজন।"

পৰমপুৰুষ পৰমেশ্বৰৰ গুণাৱতাৰ যি শিৱ স্বয়ং ঈশ্বৰ বুলি ভাগৱতেও স্বীকাৰ কৰিছে, সেই শিৱ গ্ৰাম্যদেৱ (ইতৰ দেৱতা) হায়! হায়! এনে তত্ত্বদৰ্শীপুৰুষে কৰা পুথি নো অতি নিগূঢ় পৰমাৰ্থীনহৱ কিয়? শিৱৰ তুলনাত নগণ্য দামোদৰ হল কৃষ্ণাৱতাৰ ঈশ্বৰ। কি কম! আপোনাৰ কপালত আপুনি চপৰিয়াবৰ মন যায়। শঙ্কৰদেৱৰ কোনো চৰিত্ৰও এনে অজ্ঞগো পণ্ডিতে লেখা; এতেকে চৰিত্ৰ এৰি

দুই মহাপুৰুষে কৰা শাস্ত্ৰকে বিচাৰি চোৱা যাওক,—কৃষ্ণৰ "প্ৰতিমা দেখে চক্ষুৱে ভকতৰ।" ৰত্নাৱলী। চকুৱে কৃষ্ণৰ প্ৰতিমা আৰু ভকতক দেখে। কোনোৱে হয়তো এনে অৰ্থ কৰিব পাৰে "চকুৱে কৃষ্ণৰ প্ৰতিমা স্বৰূপ ভকতক দেখে।" তেনে হলে তলৰ পদৰে কেনেকৈ অৰ্থ সঙ্গতি হব ?

নিৰ্ম্মাল্য তুলসী ঘ্ৰাণ লবে নাসিকায়।
বিষ্ণুৰ নৈবেদ্য মাত্ৰ আস্বাদে জিহ্বায়॥

গো পূজা বুলিলে গৰুক সিংহাসনত তুলি পাদ্য অৰ্ঘ্যাদি ধূপদীপেৰে কোনেও নপূজে। ভকতৰ প্ৰতিও তদ্ৰূপ। এতেকে প্ৰতিমাকে বুজাইছে, পুনশ্চ—

নিৰূপণ কৰোঁ কৃষ্ণপদ নিসেৱন ?
প্ৰতিমাদি পৰিচৰ্য্যা কৰে যিটোজন॥
সাধাৰণ পদনিসেৱন নাম তাৰ।—ৰত্নাৱলী।

আকৌ কীৰ্ত্তনৰ ওৰেযাত মহাপুৰুষে দাৰুময়ী জগন্নাথ প্ৰতিমাক কেনে, ভক্তি কৰিছে, তেওঁ মূৰ্ত্তি পূজাৰ বিৰোধী হোৱা হলে কীৰ্ত্তনত ওৰেযাট ঠাই নেপালেহেঁতেন।

এই বিষ্ণুভক্তিহীন দেশত তেওঁ ভক্তিৰ প্ৰথম-শিক্ষা দিছিল যদিও, কাজেই প্ৰাথমিক শিক্ষাৰ পক্ষে শ্ৰৱণ কীৰ্ত্তনৰ বাহিৰে কি তৃতীয় ধাপৰ অৰ্চ্চন বন্দনৰ উপদেশ প্ৰয়োজন হব পাৰে ?

গৰুতো অধম কৃষ্ণ বহতি।

এই পদফাকিয়ে প্ৰতিমাপূজকক লক্ষ্য কৰা নাই, এটাই কেৱাকি পদ দিয়া হলেহে আচল ভাব আৰু অৰ্থ ওলাই পৰিল হেঁতেন।

তীৰ্থ বুলি কৰে জলত শুদ্ধি।
প্ৰতিমাত কৰে দেৱতা বুদ্ধি॥
বৈষ্ণৱত নাই-ইসব মতি।
গৰুতো অধম কৃষ্ণ বহতি॥ কীৰ্ত্তন।

জলতে তীৰ্থ বুলি শুদ্ধিলাভ কৰে, প্ৰতিমাতে দেৱতা জ্ঞান কৰে, কিন্তু বৈষ্ণৱত এনে (বৈষ্ণৱ পবিত্ৰ) মতি যি নকৰে সি গৰুতো অধম। এই অৰ্থই ঠিক হয়নে নহয়, তলৰ পদকেকাকি দেখিলেই জানিব পাৰিব।



হেন মহাজনক এড়িয়া মূঢ় নৰে।
শৱতুল্য শৰীৰক আত্মবুদ্ধি কৰে॥
বোলে "মোৰ পুত্ৰ ভাৰ্য্যা" অপৰ সবক।
মানয় দেৱতা বুলি প্ৰতিমা সবক॥
জলত কৰয় তীৰ্থবুদ্ধি নিৰন্তৰে।
ইটো চাৰি বুদ্ধিমহাজনত নকৰে॥
জানিবা গৰ্দ্দভ সিটো গৰুতো অধম।২ ৰত্নাৱলী ২য় বিঃ ৩১১।২০

৩য়। শৰণ। এই কথাটো মই আজিলৈকে বুজিব নোৱাৰিলোঁ, বহুত ভকত মহন্তকো সুধিছিলোঁ কোনেও সন্তোষজনক উত্তৰ দি বুজাব পৰা নাই। মোৰ কথা এই—নামলোৱা, মন্ত্ৰলোঁৱা, দীক্ষালোৱা, উপদেশলোৱা বা গুৰুসমুহোৱা কথা যুক্তিসঙ্গত। নৱিধ ভক্তিৰ শ্ৰৱণ প্ৰথম আৰু শৰণ নৱম খাপ।

মহন্তৰ মুখে কথা শুনে প্ৰথমত।
তেবেসে পুৰুষে পায় ভকতিৰ তত্ব॥

মহন্তৰ মুখে ঈশ্বৰৰ নাম গুণ কথা শুনোতে শুনোতে (প্ৰথমে শ্ৰদ্ধা, তাৰ পিছত ৰতি, পাছত ভক্তি জন্মে) শ্ৰদ্ধা জন্মি নিজেও কীৰ্ত্তন, স্মৰণ কৰে, এইক্ৰমে এটা এটাকৈ খাপত উঠি যেতিয়া দাস্য, সখ্য, ভাব স্থাপন কৰি, ঈশ্বৰত দৃঢ় বিশ্বাস জন্মি, একান্ত নিৰ্ভৰ কৰিব পৰা শক্তি হয়, তেতিয়াহে শৰণত অধিকাৰ পায়। কামনাসক্ত বিষয়োপভোগী সংসাৰী মানুহ ভক্তিৰ একো তত্ব নোপোৱাকৈয়ে গোনেই শৰণ ? ধেই দাঁও বোলোঁতেই মনিকুট ? দীখল দি পেলাই বা পৰি মুখেৰে শৰণ শৰণ বোলালে বা বুলিলেই শৰণ দিয়া বা লোৱা হয় নে ? বিশেষত লোকে লোকক কেনেকৈ শৰণ দিব ? নিজে লব লাগিব। দিবও পাৰে, যি অটল ব্ৰহ্মচাৰী, (বীৰ্য্যপ্ৰতিষ্ঠ) সাৰ্ব্বভৌম সত্যব্ৰতপৰায়ণ, বাক্‌সিদ্ধপুৰুষ, যাৰ অমোঘ বাক্যত পুণ্যহীন মানুহো স্বৰ্গলৈ যাব পাৰে, তেনেলোকে "তোৰ শৰণ ঘটোক" বুলিলেই ঘটে। কিন্তু এনেলোক এতিয়া কত ? শৰণ ঘটা মানুহৰ তলৰ দৰে স্বভাব আৰু লক্ষণ হয়—

আনুকুল্যস্য সংকল্পো প্ৰতিকুল্য বিবৰ্জ্জনম্।
ৰক্ষিষ্যতীতি বিশ্বাসোগোপ্তৃত্ববৰণংতথা॥
তৎক্ৰিয়াত্মবিনিক্ষেপঃ ষড়্‌বিধা শৰণ গতিঃ।২ ভক্তিৰসামৃতসিন্ধু।

অথবা—

যেন গৰু পৰত বিকিলে যিটোজনে।
পোষণ পালন চিন্তা নকৰে সিজনে॥
সেহি মতে মোত অৰ্পি দেহাদ্রি সমস্ত।
বৈল যিটোজন হৈয়া অচিন্ত মনত॥

বন্ধা, ১২ বি ১১৩৫।৩৬

শৰণ লোৱা শিষ্যৰ কথা এৰি দি শৰণ দিয়া গুৰুতো এনে লক্ষণ দেখা নেযায়, কাযেই শৰণ ঘটিছে বুলি কেনেকৈ বুজা যাব?

গীতা যোগশাস্ত্ৰ, যোগৰ লগত মহাপুৰুষীয়া ধৰ্ম্মৰ বিশেষ সম্পৰ্ক নাই। দুটা শ্লোকৰ লগত সামঞ্জস্য দেখা যায়—

অন্যেত্বেবমজানন্তঃ শ্ৰুত্বান্যেভ্য উপাসতে।
তেঽপি চাতিতৰন্ত্যেব মৃত্যুং শ্ৰুতিপৰায়ণাঃ॥

গীতা ১৩২৬

ইয়াৰে শ্ৰৱণক প্ৰসংশা আৰু তাৰপৰা মুক্তিও লাভ হোৱাৰ প্ৰমাণ হল।

সৰ্ব্ব ধৰ্ম্মান্ পৰিত্যজ্য মামকং শৰণ ব্ৰজ। গীতা ১৮।৬৫

এই মহাবাক্যইও শৰণৰ সৰ্ব্বশ্ৰেষ্ঠতা স্বীকাৰ কৰিলে। সকলো সাধনৰ ভিতৰত শৰণেই শ্ৰেষ্ঠ কিন্তু সকলো এই শৰণৰ অধিকাৰী কেনেকৈ হব? এম্, এ, ই শ্ৰেষ্ঠ, শ্ৰেষ্ঠগুণেই বৰ্ণ পৰিচয় নথকা মানুহকো সেই শ্ৰেণীত নাম লেখালে কি ফল হব? কৃষ্ণদেৱে সেই উপদেশ কাক দিছিল? অৰ্জ্জুনক, যি অৰ্জ্জুন কৃষ্ণৰ সখি, অৰ্থাৎ ভক্তিৰ অষ্টম খাপ সখিত্ব সাধক। কাযেই অৰ্জ্জুন শৰণৰ অধিকাৰী, শৰণত বাজে তেওঁৰ আৰু একো সাধন বাকি নাছিল। এতিয়া শৰণ লোৱা প্ৰত্যেক মানুহেই অৰ্জ্জুন নে? শৰণ লোৱা সকলেও নিজৰ নিজৰ অন্তৰতে দৰে গমি চাওক চোন উলিখিত গুণ জন্মি প্ৰকৃত শৰণ ঘটিছে নে?

তাৰপৰা নাৰদ শুক সনক সনন্দাদি জিতেন্দ্ৰিয় নিষ্ক্ৰিয়, উৰ্দ্ধৰেতা মহামহিমাময় পুৰুষসকলৰ অদ্বৈতজ্ঞানমূলক যি নিৰ্গুণ নিগম পথ তাকে শঙ্কৰদেৱে প্ৰচাৰ কৰিলে, সেই পথ যে সৰ্ব্বোৎকৃষ্ট তাক কবৰ প্ৰয়োজন নাই। কিন্তু অজিতেন্দ্ৰিয়, ভেদদৰ্শী, গুণবদ্ধ মানুহ সেই ধৰ্ম্মৰ পাত্ৰ নহয়, সেই ধৰ্ম্মক ধৰি ৰাখিব নোৱাৰে। শঙ্কৰদেৱ আৰু তেওঁৰ সমসাময়িক লোকসকলে ধৰিছিল, সেই বুলিয়েই এটাইয়ে



কেনেকৈ পাৰিব। সিসকল সামৰ্থী অৱতাৰী পুৰুষ, তেওঁলোক আনৰ লগত তুলনা হব নোৱাৰে, মহাপুৰুষেও ইয়াক জানি কৈ গৈছে—

সকামে নিষ্কামে দুহি মোক্ষ কামে
কৃষ্ণত ভক্তি কৰোক।
দুহি ক্ষুদ্ৰ কামে ক্ষুদ্ৰ দেৱতাক
বিষয়ী লোকে ভজোক॥ ভাগৱতৰত্ন।

শ্ৰীগুণাভিৰাম বৈশ্য।

---

# সম্পাদকৰ চমুকৈ দুটি-এটি কথা।

ওপৰৰ প্ৰবন্ধ লিখকৰ কথাৰে সৈতে আমাৰ সৰহখিনিত থৰিয়াল নাই, সামান্য বি দুটা এটাত আছে, সেইকেইটা দুমুকিয়ালেও পাৰি। যেনে:—গীতা যোগশাস্ত্ৰ, তাৰ লগত মহাপুৰুষীয়া ধৰ্ম্মৰ বিশেষ সম্পৰ্ক নাই।" তেওঁৰ এনেবোৰ কেচা কথা, আমাৰ বিশ্বাস তেওঁ গীতাত আৰু মহাপুৰুষীয়া ধৰ্ম্মত প্ৰবেশ কৰিলেহে যাব। তান্ত্ৰিক ধৰ্ম্মক আমি যি ভাবে কলুষিত বুলিছোঁ, তেওঁ পোনতে সেই ভাবেই বুজিছে। তান্ত্ৰিক ধৰ্ম্মক স্বভাৱতে কলুষিত আমি কেনেকৈ বুলিম। শ্ৰীশঙ্কৰদেৱৰ কালত সৰ্ব্বসাধাৰণৰ ভিতৰত প্ৰচলিত তান্ত্ৰিক ধৰ্ম্ম যে অতি কলুষিত হৈছিল, সেইটোৱেই আমাৰ কোৱা অভিপ্ৰায়। সেই কলুষিত অৱস্থাৰ ধৰ্ম্মক উৎপাটিত কৰি তেওঁ নিৰ্ম্মল বৈষ্ণৱধৰ্ম্ম প্ৰচাৰ কৰিলে। কোনো এটা বস্তু যেতিয়া একেবাৰেই degenerated হয়, beyond redemptjon or correction হয়, অৰ্থাৎ উদ্ধাৰ বা নিস্তাৰৰ অৱস্থা পাৰ হৈ যায়, তাক উভালি পেলোৱাই উচিত। শঙ্কৰদেৱেও তাকে কৰিছিল, চৈতন্যদেৱেও তাকে কৰিছিল। বৌদ্ধধৰ্ম্ম স্বভাৱতে কেনে ওখ অঙ্গৰ ধৰ্ম্ম কোনে নাজানে। কিন্তু যেতিয়া কালক্ৰমত বৌদ্ধধৰ্ম্ম ভাৰতত কলুষিত degraded হৈ পৰিছিল, আৰু তাৰ প্ৰাণৰ ৵৯ গৈ এপইচা তাৰ গাত আছিল তেতিয়া তাক নতুনকৈ উঠা হিন্দুধৰ্ম্মই উভালি পেলাই সেই ঠাই লৈছিল।

তেতিয়াৰ প্ৰাণশূন্য বৌদ্ধধৰ্ম্মৰ সংহাৰ আনে নেলাগে নতুনকৈ উঠা সবল সজীব তান্ত্ৰিক ধৰ্ম্মইহে কৰিছিল। সেইদেখি কওঁ যে, ওপৰৰ প্ৰবন্ধলেখকে এই কথা সহজে বুজিব পাৰিবই লাগিব। অৱশ্যে তান্ত্ৰিক ধৰ্ম্ম সহজ সুগম আৰু নিৰ্ম্মল আৰু এই কালৰ উপযোগী নে, বৈষ্ণৱ ধৰ্ম্ম? আৰু স্বভাৱতে তান্ত্ৰিকধৰ্ম্ম উৎকৃষ্ট নে বৈষ্ণৱ ধৰ্ম্ম?—এই কথাৰ বিচাৰ আজি আমি এই চমু মন্তব্যত নকৰোঁ।

তান্ত্ৰিকভাৱে ধৰ্ম্ম সাধনা কৰি যে কোনো কোনো সাধক শক্তিশালী হৈ উঠিছিল, আৰু এতিয়াও দুজন এজন উঠে এই কথা আমি স্বীকাৰ কৰোঁ। শক্তিমত্তা আৰু সাধুতা বা ধৰ্ম্মশীলতা পৰস্পৰ বিৰোধী নিশ্চয় নহয়,সেইদেখি লেখকে উদাহৰণ দিয়া লোকসকল যে সাধু বা ধৰ্ম্মশীল তাক আমি অস্বীকাৰ কেতিয়াও নকৰোঁ; কিন্তু শক্তিশালী হলেই যে ধৰ্ম্মশীল, ভক্ত, সাধু হোৱা যায় এইটো আমি স্বীকাৰ নকৰোঁ, আৰু ভাবি চালে লেখকেও নকৰে। অলৌকিক শক্তি লাভ মানে ধৰ্ম্মশীলতা আৰু ঈশ্বৰ লাভ নহয়। অনিমা লঘিমা আদি শক্তি লাভ কৰোঁতা অধাৰ্ম্মিকো আগেয়ে অনেক হৈ গৈছে, আজিকালিও দুজন-এজন দেখিবলৈ পোৱা যায়। কিন্তু ঈশ্বৰ লাভ কৰোঁতা সাধু ভক্তই শক্তি লাভ আকাঙ্ক্ষা নকৰে, তেওঁলোকে নিবিচাৰিলেও শক্তি তেওঁলোকৰ পিছে পিছে লগুৱা ফুৰাদি ফুৰে, তেওঁলোকে তালৈ ভ্ৰূক্ষেপো নকৰে, আৰু পৰাপক্ষত তাৰ ব্যৱহাৰো নকৰে। যোগ অভ্যাস কৰি অনেকে আগেয়ে, আৰু আজিকালিও কোনো কোনো অলৌকিক শক্তিৰ অধিকাৰী হৈছিল আৰু হৈছে, কিন্তু যোগত পৰিপক্ক হলে প্ৰধানতঃ যে ধৰ্ম্ম বা ঈশ্বৰ লাভ হয় এনে নহয়। শ্ৰীশঙ্কৰদেৱে যোগ অভ্যাস কৰি অলৌকিক শক্তি লভিও পিছত তাক প্ৰহাৰ কৰাৰ আৰু তাক তেওঁৰ ধৰ্ম্মৰ অঙ্গ নকৰাৰ মানেই এই। পঞ্জাবৰ হৰিদাস, আৰু ৰণজিৎ সিংহই ৪০ দিন মাটিত পুতি থৈছিল, আৰু যি ৪০ দিনৰ পিছত জীয়াই ওলাইছিল, ধাৰ্ম্মিক ঈশ্বৰভক্ত বুলি প্ৰখ্যাত নাছিল। কলিকতাত হজৰৎ নামেৰে এজনে এটাইৰে আগত অনেক অলৌকিক কাৰ্য্য কৰি দেখুৱাইছিল, কিন্তু তেওঁ ধাৰ্ম্মিক হোৱা দূৰৰ কথা, অসৎ চৰিত্ৰৰ মানুহ বুলিহে প্ৰমাণিত হৈছিল। বিক্ৰমাদিত্যাই তাল বেতালৰ সহায়েৰে অনেক অলৌকিক কাৰ্য্য কৰিছিল, কিন্তু সেইবোৰত সাধুতা আৰু ধৰ্ম্ম বা ঈশ্বৰ ভক্তৰ নাম গোন্ধেই নাছিল।

প্ৰতিমা পূজাৰ বিষয়েও লেখকে যি কৈছে, তাত আমাৰ বিশেষ খৰিয়াল নাই। প্ৰতিমাক যেতিয়ালৈকে প্ৰকৃত বস্তুক সোৱঁৰাই দিয়া symbol চিহ্ন বুলি ভাবি value কৰা যায়, তেতিয়ালৈকে প্ৰতিমা পূজাৰপৰা অনিষ্ট নহয়। কিন্তু প্ৰকৃত বস্তু পাহৰি যেতিয়া সেই প্ৰতিমাতে অৰ্থাৎ symbol-অতে দেৱতাবুদ্ধি হয়গৈ অৰ্থাৎ তাকে প্ৰকৃত বস্তু বুলি ভ্ৰম হয় গৈ, তেতিয়া সি অনৰ্থ কৰে। এই ভাবতহে শঙ্কৰদেৱ প্ৰতিমা পূজাৰ বিৰোধী। আৰু সৰহভাগ প্ৰতিমা পূজকৰ তেনে ভ্ৰমৰ অৱস্থা হয় গৈ দেখি প্ৰতিমা পূজাৰ ফালে তেওঁ তেওঁৰ ধৰ্ম্মৰ সোঁতা বোওৱা নাছিল। মোৰ গুৰুৰ জড় পট (photograph) থনে মোক মোৰ গুৰুক সোৱঁৰাই দিয়ে, সেই বাবে তাৰ সকাম value; কিন্তু সি যদি মোৰ গুৰুৰ ঠাইকে অধিকাৰ কৰি বহে, তেনে হলেই বিপদ; কাৰণ চেতন গুৰুৰ নিচিনা সি উপাসকৰ একো উপকাৰ কৰিব নোৱাৰে, তেওঁক একো দিব নোৱাৰে। বিষ্ণু যাৰ বস্তু, এনে ভকতক নিন্দা কৰি প্ৰতিমাতে মাথোন দেৱতা বুদ্ধি কৰোঁতাক শঙ্কৰদেৱে গৰু বোলা ঠিক, ভাগৱতেও বুলিছে।



শিৱ দুৰ্গাক গ্ৰাম্য দেৱতা বোলাত লেখকে আপত্তি কৰিছে, কৰিব পায়। লেখকে গীতা ভাগৱতৰপৰা অনেক শ্লোক উদ্ধাৰ কৰিছে। কিন্তু তেওঁ দেখিব, যে শিৱ, বিষ্ণু, ব্ৰহ্মা, দুৰ্গা আদি দেৱতাৰ ওপৰতো এজন আছে বুলি ভাগৱত গীতাই কৈছে। সেইজনক বেদেও "তমীশ্বৰাণাং পৰমম্ মহেশ্বৰম" বুলিছে, অৰ্থাৎ ঈশ্বৰসকলৰ ওপৰতো সেইজন মহেশ্বৰ। সেইজনৰ সৃষ্ট অনন্তকোটী ব্ৰহ্মাণ্ডৰ ভিতৰৰ ব্ৰহ্মাণ্ড এটিৰ ব্ৰহ্মা বিষ্ণু ৰুদ্ৰ তিনিজন "গৱৰ্ণৰ" মাথোন। শিৱই নিজেই কৈছে "এগোটা ডিমাৰ মই ৰুদ্ৰ এক গুটি।" শঙ্কৰদেৱে সেই অনন্তকোটী ব্ৰহ্মাণ্ডৰ মহেশ্বৰ বিষ্ণুৰহে সেৱা প্ৰচাৰ কৰিছে, আৰু দামোদৰ দেৱেও সেই ধৰ্ম্মশিক্ষাকেহে লোকক দিছে। সেই মহেশ্বৰেই পূৰ্ণাৱতাৰ শ্ৰীকৃষ্ণ। সেই মহেশ্বৰকেহে বেদে কৈছে "তদ্বিষ্ণোঃ পৰমং পদম্ সদা পশ্যন্তি সুৰয়ঃ দিবীৱ চক্ষুৰাততঃ।" আৰু লেখকে তোলা পদ ফাকিত শিৱ দুৰ্গাকে গ্ৰাম্যদেৱতা বুলিছে নে, শিৱ, দুৰ্গা আৰু আন গ্ৰাম্যদেৱতা বুলিছে, সেইটোৰ মৰ্ম্ম লৈ লেখকে থংকৰা উচিত আছিল।

লেখকৰ প্ৰত্যেক কথাৰ উত্তৰ দিবলৈ আমাৰ আহৰি নাই, মুখেৰে কবলৈ সুবিধা পোৱাহেঁতেন উজু হলহেঁতেন। মুঠতে, "শৰণ"ৰ বিষয়ে তেওঁৰ ভ্ৰম বিস্তৰ। তেওঁ শৰণক last stage শেষ অৱস্থা বুলিছে। আমি কওঁ শৰণ first, middle আৰু last তিনিউ stage; তাৰ প্ৰথম, মধ্যম, শেষ নাই। প্ৰথমতে ঈশ্বৰত শৰণ, সেই শৰণ মাজতো, শেষলৈকেও; তাৰ অন্তই নাই। শৰণ মানে ঈশ্বৰত নিজক

সম্পূৰ্ণভাৱে নিবেদন, rsignation, ইয়াৰ আকৌ প্ৰথম শেহ কি? লৰাই উপজিয়েই মাকৰ শৰণ লৈ নিশ্চিন্ত হয়। লেখকেই বিপদহাৰী বক্ষক বজাত শৰণ নাই লোৱা জানো? সেই শৰণ তেওঁ বুঢ়া কালতহে ব্যৱহাৰ কৰিবলৈ বা লবলৈ থৈছে নে কি? আমি শৰণৰ বিষয়ে এইকেইষাৰ ordinary সাধাৰণ ভাবেহে কৈছোঁ, শাস্ত্ৰৰ বিচাৰ মেলা নাই; কাৰণ মেলিলে আমাৰ অনেক কবলৈ আছে।

আমি আকৌ কওঁ যে লেখকৰ প্ৰায় সকলো কথাকে আমি মানো; কেৱল কওঁ যে সেইবোৰৰ অধিকাংশৰ প্ৰয়োগ নাথোন তেওঁ আওপাকে কৰিছে। প্ৰতিমা পূজা ভাগৱতে বিহিছে, শঙ্কৰদেৱেও উৰাই দিয়া নাই। কিন্তু কলিযুগৰ সি যে ধৰ্ম্ম নহয়, সেইটোৰ সন্ধান শাস্ত্ৰত আছে, তেওঁ সেইটো বিচাৰি উলিৱা নাই। প্ৰতিমা পূজোতে পূজোতে প্ৰতিমাৰ আচল প্ৰাণ পাহৰি তাতে দেৱতা বুদ্ধি হোৱাৰ ভয় থাকে দেখি, তাক কলিত avoid কৰাই ভাল বুলি সাধুৱে কয়। লেখকে তুলি দিয়া উত্তৰ-গীতাৰ শ্লোকটিতে এই কথাৰ উত্তৰ আছে—যেনে "মনিষী সকলে হৃদয়ত, অল্পবুদ্ধিৰ মানুহে প্ৰতিমাত ঈশ্বৰক পূজা কৰিব।"

ভাগৱত গীতাত সকলো পন্থা দেখুৱাই তাৰ উৎকৰ্ষ প্ৰকাশ কৰি দিছে; যজ্ঞ, যোগ, পূজা, ধ্যান সকলো যে ভাল আৰু অৱলম্বনীয় এই কথা তাত কৈছে, কিন্তু এইবোৰ ভালতকৈও এই যুগৰ মানুহলৈ আৰু ভাল পন্থা আছে, সেই কথাও যে কৈ দিছে। সেই ভালতকৈ ভাল পন্থাৰ বাতৰি শাস্ত্ৰৰপৰা উলিয়াই তোমাৰ আগত দিয়ে ভক্ত সদ্ গুৰুৱে। শ্ৰীশঙ্কৰদেৱে সেই বাতৰি আমাক দিছে। শাস্ত্ৰৰ মৰ্ম্ম বুজিবলৈ সেইদেখি সদ্ গুৰু লাগে, নতুবা বেবেৰিবাং খাই পৰিব লগীয়া হোৱা যায়। শাস্ত্ৰৰ প্ৰকৃত মৰ্ম্ম নুবুজিলে তাৰপৰা মানুহবধী ঠগী ডকাইতেও সাহায্য পায়। গীতাৰপৰা আজিকালিৰ anarchist বিপ্লৱপন্থীসকলেও সমৰ্থন বিচাৰি উলিয়াইছে। A devil can cite Scripture to support his deeds বুলি ইংৰাজীত কথা এটা আছে।

গুৰুজনে কৈছে:—

"মহন্তৰ মুখে কথা শুনা প্ৰথমত।
তেবেসে পুৰুষে পায় ভকতিৰ তত্ব॥"

"এই বিষ্ণুভক্তিহীন দেশত তেওঁ (শ্ৰীশঙ্কৰদেৱে) ভক্তিৰ প্ৰথম শিক্ষা দিছিল মাথোন, কাজেই প্ৰাথমিক শিক্ষাৰ্থৰ পক্ষে শ্ৰৱণ কীৰ্ত্তনৰ বাহিৰে কি তথ পাপৰ



অৰ্চ্চন বন্দনৰ উপদেশ প্ৰয়োজন হব পাৰে" লেখকৰ এই সিদ্ধান্ত মহাভুল। কবলৈ গলে অনেক সময় লাগে, আমাৰ তাৰে অভাৱ। লেখকে ভাগৱত গীতাৰ মৰ্ম্মত আৰু শঙ্কৰদেৱ প্ৰচাৰিত ধৰ্ম্মত দ-কৈ প্ৰবেশ কৰাহেঁতেন এনে কথা কেতিয়াও নকলেহেঁতেন। অৰ্চ্চন, বন্দন, যোগ, সমাধি, ধ্যান আদি কৰি মুক্ত হোৱা নাৰদ সনক আদিয়ে, আন কি মহেশেও যে শ্ৰৱণ কীৰ্ত্তন ভক্তিত নিজক মগ্ন কৰি ৰাখিবলৈ বিচাৰি ফুৰে, এই তত্ব তেওঁ শ্ৰীমদ্ভাগৱত গীতা আৰু শ্ৰীশঙ্কৰ শ্ৰীমাধৱদেৱ ৰচিত শাস্ত্ৰত আৰু দ-কৈ প্ৰবেশ কৰিলে পাব নিশ্চয়। আজিকালি আমি ধৰ্ম্মৰ বিষয়ে তৰ্কত প্ৰবেশ কৰিবলৈ সম্পূৰ্ণ "নাৰাজ"। হৃদয়ত পৰমাত্মা-বস্তুৱে যিহকে সুচাই দিয়ে তাকে জনাই-নজনাই বাঁহীত লেখোঁ। কোনো ধৰ্ম্মক আক্ৰমণ কৰা আমাৰ অভিপ্ৰায় নহয়। "যে যথা মাং প্ৰপদ্যন্তে" সেয়েই কথা; "ঠগী" ডকাইতেও মনুষ্য ৰক্তেৰে তেওঁক পূজা দি ভজিছিল, তেৰোঁ সিহঁতক সেই ভাবতে উলটি ভজি সিহঁতৰ মনস্কামনা সিদ্ধি কৰিছিল; কিন্তু তেনে পন্থাৰ ভজনা ভাল বুলি লেখকে ভাবে নে? অৱশ্যে আমি যিটো উজু আৰু বহুবিঘ্নবিৰহিত পথ বুলি বুজিছোঁ, আৰু মহন্তৰ মুখে শুনিছোঁ, সেইটোলৈকে আমাৰ বন্ধুসকলক আমুলিয়াওঁ। আমাৰ কথাত কোনো লোকে মনত আঘাত পাইছে যদি আমি বৰ দুখিত হৈছোঁ।

সম্পাদক।

---

## পুণ্য কথা।

যি কথাই মনৰ মাজত সোমাই অন্তৰৰ কলুষৰাশি নাশ কৰি, মনত পবিত্ৰ ভাব জন্মাই দি, জীৱন উন্নত আৰু নিৰ্ম্মল কৰি গঢ়িবলৈ সহায় কৰে সেয়েই পুণ্য কথা। আজি আমি "বাঁহী"ৰ পাঠক পঠিকাসকলৰ আগত মুচলমান তাপসশ্ৰেষ্ঠ মহৰ্ষি কেজনমানৰ জীৱনীৰপৰা, গোটাচেৰেক পুণ্য কথা টুকি লৈ উপহাৰ দিবলৈ মন মেলিলোঁ। আশা কৰোঁ কথাকিটা সকলোৰে তৃপ্তিকৰ হব।—

মহাত্মা হবিব আজমী পাৰচাৰ অন্তৰ্গত আজম দেশৰ এজন বৰ বিখ্যাত তাপস আছিল। এদিন তেওঁ গধূলিপৰত নামাজ পঢ়িবলৈ থিয় হওঁতে তেওঁৰ সমসাময়িক তাপস মহাত্মা হোচেন বছোৰী * আহি ওলালহি। হবিবক নামাজ

* মহাত্মা হোচেন বছোৰীৰ নিচেই সংক্ষিপ্ত জীৱনী এটোৱা ইয়াৰ আগেয়ে "বাঁহী"ত ওলাই গৈছে। লেখক—

পঢ়িবলৈ থিয় হোৱা দেখি হোছেনো তেওঁৰ-লগতে থিয় হলগৈ। হবিব আজম দেশীয় মানুহ হোৱাত আৰবী শ্লোকসমূহ উচ্চাৰণ কৰোতে এঠাইত তেওঁ অলপ ভুল কৰিলে। তাকে শুনি হোছেনে তেওঁৰ লগৰপৰা আঁতৰি আহি বেলেগে অকল-শৰীয়াকৈ নামাজ পঢ়ি শুচি গল। সেই দিনা ৰাতিলৈ মহাত্মা হোছেনে সপোনত ঈশ্বৰক সাক্ষাৎলাভ কৰি সুধিলে—"প্ৰভো, কিহত তোমাৰ সন্তোষ হয়?" ঈশ্বৰে কলে—"যিহত মোৰ সন্তোষ তাক তুমি পাইছিলা, কিন্তু তাৰ মৰ্য্যাদা হে ৰক্ষা নকৰিলা!" হোছেনে সুধিলে—"কেনেকৈ?" পৰমেশ্বৰে কলে—"তুমি হবিবৰ অনুবৰ্ত্তী হৈ নামাজ পঢ়া হলে তোমাৰ বিশেষ কল্যাণ হলহেঁতেন; তুমি শব্দৰ শুদ্ধোচ্চাৰণৰ ফাললৈহে কাণ দিলা কিন্তু হৃদয়ৰ তেওঁৰ শুদ্ধ সঙ্কল্পলৈ এবেলিও ভাবি নেচালা। জিভাৰ শুদ্ধ উচ্চাৰণ আৰু হৃদয়ৰ শুদ্ধ সঙ্কল্প এই দুয়োৰো ভিতৰত বিশেষ প্ৰভেদ আছে। শুদ্ধোচ্চাৰণতকৈ শুদ্ধ সঙ্কল্প বহু গুণে শ্ৰেষ্ঠ।"

হবিবৰ ঘৰত লিগিৰী এজনীয়ে ডেৰকুৰি বছৰৰপৰা কাম কৰি আছিল, কিন্তু এদিনলৈকো হবিবে তাইৰ মুখলৈ চাই কথা কোৱা নাছিল। এদিন কিবা এটা কথাত লিগিৰীজনী আৱশ্যক হোৱাত হবিবে তাইক ওচৰতে পাই কলে—"হেৰা, মোৰ লিগিৰীজনীক ভিতৰৰপৰা মাতি আনি দিব পাৰা নে?" তাই কলে—সেইজনী লিগিৰী দেখোন ময়েই।" হবিবে কলে—"এই ডেৰকুৰি বছৰ মই একমাত্ৰ ঈশ্বৰৰ বাহিৰে আনৰ ফালে মুখ তুলি চাবলৈ সাধ্য হোৱা নাই, সেই হে আজি তোমাক আগত পাইও চিনিব নোৱাৰিলোঁ।"

***

মহাত্মা মালেকদিনাৰ দমস্কী দমস্ক দেশৰ মানুহ। তেওঁ জগতত অলৌকিক ক্ৰিয়াকাণ্ডৰ নিমিত্তে বৰ বিখ্যাত আছিল। এওঁ মহাত্মা হোছেন বছোৰীৰ সমসাময়িক আৰু তেওঁৰ লগৰীয়া আছিল।

এসময়ত মালেকদিনাৰ এটা ভোৰোণীয়া ঘৰত বাস কৰিছিল। ওচৰচুবুৰীয়াৰ ভিতৰত এজন ইহুদী নিচেই ওচৰতে আছিল। মালেকদিনাৰৰ ঘৰলৈ সোমাই যাবলৈ হলে ইহুদীৰ পাছ-চোতালেদি সোমাব লাগে। ইহুদীয়ে মালেক দিনাৰক পৰীক্ষা কৰি চাবৰ মনেৰে তেওঁৰ ঘৰলৈ সোমোৱা পদুলিটোৰ মুখতে পায়খানা এটা সাজি ঠাইডোখৰ বৰ অপৰিষ্কাৰ কৰি থবলৈ ধৰিলে। মালেক-দিনাৰে নিতৌ সেইবোৰ আঁতাই তেওঁৰ ঘৰলৈ সোমোৱা পদুলিটো পৰিষ্কাৰ কৰি



ৰাখে। এদিন ইহুদীটোৱে তেওঁক সুধিলে—"তুমি যে নিতৌ বাটত পৰি থকা মোৰ মলমূত্ৰ আঁতোৱা তোমাৰ ঘেয়া লাগি থুং নুঠে নে?" তেওঁ কলে—"ঘেয়া লাগি থুং উঠে, কিন্তু থুং দমোৱাটো যে ঈশ্বৰৰ আদেশ, মই কেনেকৈ তেওঁৰ আদেশ লঙ্ঘন কৰোঁ? ঘেয়া লগাৰ বাবে সেইবোৰ আঁতাবলৈ ঝাড়ুনী আদি ঠাঁই সৰা সঁজুলিবোৰ ৰাখিছোঁ নহয়, আঁতাই থাকিম।" মালেকদিনাৰৰ উত্তৰত ইহুদীৰ মন পৰিবৰ্ত্তন হৈ তেওঁৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিলে।

***

বহু বিদ্যাবিশাৰদ পণ্ডিত আৰু গভীৰ তত্বজ্ঞ মহাত্মা অনিদ বোগদাদ নিবাসী মানুহ তেওঁ ল'ৰা কালৰপৰাই জ্ঞানান্বেষী, চিন্তাশীল, নীতিপৰায়ণ, চোকাবুধি আৰু আচৰিত প্ৰতিভাসম্পন্নৰ কাৰণে বৰ বিখ্যাত আছিল।

এবাৰ মহাত্মা অনিদৰ চকুত কিবা এটা ৰোগ হোৱাত এজন পাৰ্চী চিকিৎসক মতাই আনি দেখুৱালেহি। চিকিৎসকে কলে—"চাব যেন চকুত পানী লাগিবলৈ নাপায়।" অনিদে সুধিলে "তেনেহলে মই অজু কৰিম কেনেকৈ?" চিকিৎসকে কলে—"সেইটোৰ মই কি জানো, আপোনাক যদি চকু লাগে তেনেহলে কেতিয়াও তাত পানী লগাব নোৱাৰে।" ব্যৱস্থা দি চিকিৎসক শুচি গলগৈ। ৰাতিলৈ অনিদে যথাৰীতি অজু কৰি নামাজ পঢ়ি শুই থাকিল। পুৱা সাৰ পাই দেখে যে চকু একেবাৰেই আৰোগ্য হৈ গৈছে। তেতিয়া দৈৱবাণী শুনিলে—"অনিদ, তুমি মোৰ সন্তোষৰ নিমিত্তে চকু হেন বস্তুৰো মমতা এৰি দিলা, সেই অনুৰাগতে গোটেই নৰকবাসীৰ পৰিত্ৰাণ খোজা হলেও সেই প্ৰাৰ্থনা গৃহীত হ'লহেঁতেন।" তাৰ পাছত চিকিৎসক আহি চকু ভাল হোৱা দেখা পাই কেনেকৈ কি কৰিছিল সকলো সুধিলে। মহাত্মা অনিদেও যেনেকৈ যি কৰিছিল সকলো ভাঙ্গিছিঙ্গি কলে। চিকিৎসকৰ মন পৰিবৰ্ত্তন হ'ল; তেতিয়াই তেওঁ ইচলাম ধৰ্ম্ম গ্ৰহণ কৰি কবলৈ ধৰিলে—"এই ঔষধ মানবীয় নহয়, ঐশ্বৰিক। চকুৰ ৰোগ আপোনাৰ আছিল নে মোৰ? বৈদ্য আপুনিহে, মই নহওঁ।"

বোগদাদ নগৰত এটা চোৰক ফাঁচী দিয়াৰ পাছত মানুহে দেখি শিক্ষা পাবৰ নিমিত্তে বাটৰ কাষৰ গছ এজোপাত ওলোমাই থোৱা হৈছিল। মহাত্মা অনিদ সেই ফালেদি যাওঁতে মৰাশৰটোৰ ভৰি দুখনত ধৰি চুমা খালেগৈ। তাকে

দেখি মানুহবিলাকে—"ছিঃ, আপুনি সেইটো কি কাম কৰিলে, চোৰৰ শৰটোত কিয় চুমা খালে গৈ" বুলি অলপ বেয়া পোৱাৰ ভাব দেখুৱালে। জনিদে কলে—"তাক হাজাৰ বাৰ ধন্যবাদ দিওঁ, কিয়নো সি আপোন কামত প্ৰাণদান কৰিছে। যি কাম আৰম্ভ কৰিছিল তাৰ শেষ কৰি গৈছে।"

মহাত্মা জনিদ বোগ্দাদীৰ বহুতো শিষ্য আছিল। তাৰ ভিতৰত তেওঁ এজনক অলপ বেছিকৈ আদৰ চেনেহ কৰিছিল। সেই কাৰণৰ নিমিত্তে বহুত মানুহৰ আপত্তি থকাত তেওঁ মানুহবিলাকক কলে—"মই যে এই শিষ্যজনক আনতকৈ অলপ বেছি মৰম কৰোঁ তাৰ কাৰণ হৈছে এওঁ আনতকৈ সমধিক জ্ঞানী আৰু নীতি-পৰায়ণ। তোমালোকক এতিয়াই তাৰ পৰীক্ষা কৰি দেখুৱাওঁ চোৱাঁ।" এই বুলি তেওঁ প্ৰত্যেক জন শিষ্যৰ হাতত কুকুৰা এটাই আৰু কটাৰী একোখনকৈ দি কলে—"তোমালোক প্ৰত্যেকেই এই কুকুৰা এনেকুৱা এঠাইত 'হালাল' কৰি আনাগৈ য'ত কোনেও ইয়াক হালাল কৰা দেখা নাপায়।" সকলো শিষ্যই সেই অনুযায়ী ঠাইত হালাল কৰি আনি দিলেহি। কিন্তু সেই শিষ্যজনে কুকুৰাটো জীয়াই জীয়াই আনি ওভোতাই দিলেহি। সুধিলত কলে যে—"যলৈকে বিৰল ঠাই বিচাৰি গলোঁ, ততেই দেখিলোঁ আল্লাহ তাআলা বিদ্যমান! তেওঁ নেদেখা ঠাই কতো বিছাৰি নাপাই ওলোটাই লৈ ঘুচি আহিছোঁ।" শিষ্যজনৰ উত্তৰ শুনি মহাত্মা জনিদে মানুহবিলাকক কলে—"দেখিলা এতিয়া, এই শিষ্যজনৰ জ্ঞান আনতকৈ কিমান বেছি! এওঁ কি বুলি মৰম চেনেহৰ ভাগ বেছিকৈ নাপাব?"

•••

মহাত্মা বায়েজিদ বস্তামী মধ্য-এচিয়াৰ অন্তৰ্গত বস্তাম প্ৰদেশত জন্মগ্ৰহণ কৰে। এওঁও সকলেপৰা জ্ঞানান্বেষী, শুদ্ধচৰিত্ৰ আৰু তত্ত্ববিদ্যাত বৰ পৈণত আছিল।

এদিন ৰাতি বায়েজিদ মৰিশালীৰপৰা উলটি আহোঁতে বাটত এটা লাঠুৱা ডেকা ল'ৰাই বেহেলা বজাই গান কৰি আছিল। বায়েজিদে—"ঈশ্বৰ মহান আৰু তেওঁ নিত্য" এই কথাষাৰ উচ্চাৰণ কৰি ল'ৰাটোৰ ওচৰ চাপোঁতেই সি বেহেলাৰে এনেদৰে তেওঁৰ মুৰত কোবাবলৈ ধৰিলে যে তেওঁৰ মুৰ ফাটি তেজ বৱলৈ ধৰিলে আৰু লগে লগে তাৰ বেহেলাখনো ভাগি চুৰমাৰ হ'ল! মাৰ খাই তেওঁ একোকে নকৈ বৰ বিনীত ভাবে গুচি আছিল। পাছদিনা পুৱা মানুহ এজনৰ হাতত টকাকেটামান আৰু মিঠৈ এটোপোলা দি সেই ল'ৰাটোলৈ কৈ পঠিয়ালে



যে—"যোৱা ৰাতি তেওঁৰ মুৰত লাগি ভগা বেহেলাখনৰ দামস্বৰূপে এইকেটকি ৰূপ, আৰু থং মাৰ নিয়াবলৈ এই টোপোলা মিঠৈ দি পঠিয়াইছে।" ল'ৰাটোৱে বায়েজিদৰ এই অপূৰ্ব্ব ব্যবহাৰ দেখি বৰ অনুতপ্ত হৈ তেতিয়াই আহি তেওঁৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি ভৱিষ্যতলৈ ভাল হম বুলি প্ৰতিজ্ঞা কৰি গল।

এজন মানুহ আহি মহৰ্ষি বায়েজিদক কলেহি—"আপুনি অলপ সময়ৰ নিমিত্তে আপোনাৰ মনটো বিশুদ্ধ কৰক, মই আপোনাৰ লগত এটা কথা হব লাগে।" তেওঁ উত্তৰ দিলে "আজি ত্ৰিছ বছৰেও মই ঈশ্বৰৰ ওচৰত বিশুদ্ধ অন্তঃকৰণ প্ৰাৰ্থনা কৰি পোৱা নাই, তোমালৈ এই মুহূৰ্ত্ততে কৰপৰা জিয়াপন শুদ্ধ কৰি আনোঁগৈ?"

•••

মহাত্মা আবল্ হোছেন নুৰীও বোগ্দাদৰ এজন অন্যতম প্ৰেমোন্মত্ত, তেজস্বী আৰু তত্ত্বজ্ঞানী সাধক আছিল।

ছৰলী নামেৰে মানুহ এজনে কৈছে:—"এদিন মই মহাত্মা নুৰীৰ ওচৰলৈ গৈ দেখোঁ যে, তেওঁ গভীৰ ধ্যানত মগ্ন আছে। তেওঁ এনে প্ৰশান্ত ভাবে আছে যে গাৰ নোম এডালো লৰা নাই। তেওঁৰ ধ্যান ভঙ্গ হোৱাৰ পাছত মই তেওঁক সুধিলোঁ "আপুনি এনেকুৱা উত্তম ধ্যান কাৰপৰা শিকিলে?" তেওঁ উত্তৰ দিলে "মেকুৰীৰপৰা। মেকুৰীয়ে যেতিয়া এন্দুৰৰ গাঁতৰ মুখত চোপা দিয়ে, সি তেতিয়া মোতকৈও সুস্থিৰ ভাবেহে থাকে।"

এম, মোছলেহউদ্দিন আহমদ।

---

# বৰবৰুৱাৰ চিঠি।

( ২ )

তুমি মোৰ আগৰ চিঠিখনৰ উত্তৰ নিদিলা। নিদিলা নাই, কিন্তু তোমাৰ গাত ধাৰ বল। মই কিন্তু নিষ্কাম; কৰ্ম্মফলৰ আশা নকৰোঁ। "কৰ্ম্মণ্যেবাধিকাৰস্তে, মাফলেষু কদাচন" এই গীতাৰ বচন মোৰ motto নীতি। মই কৰ্ম্ম কৰিহে যাম, তাৰ ফলত মোৰ অধিকাৰ নাই। তাৰ প্ৰমাণ চোৱাঁ,—মই বদে বৰমুগে

ঘূৰি কান গোটাই আনি দিওঁ, "টিবিয়াৰ হে" তাৰ ফলৰ ওপৰত অধিকাৰ, মোৰ "লাভ"। বুজিলা এতিয়া? বোলোঁ "বুজিলাহি" নে? মোৰ সংস্কৃত তোমাৰ নিচিনা পণ্ডিতেই "বুজিবন্তি" বুলি মই "জানন্তি" কাৰণ তুমি বিদগ্ধাঃ অৰ্থাৎ সংস্কৃতৰ ভাপত সিজি "ভাঁপা" হৈ লাগিছা। মই তাহানি লৰা কালতে সংস্কৃত প্ৰোক্ত হৈছিলোঁ, সেইদেখি এদিন মোক সংস্কৃত পঢ়োৱা পণ্ডিতে কলে "তুমি সংস্কৃতত মোৰে সৈতে কথা কবা।" সেই দিনা বৰষুণীয়া বতৰ আছিল, আৰু তেতিয়া বৰষুণও পৰিছিল; মই তৎক্ষণাত পণ্ডিতৰ বাক্য পালন কৰি কলোঁ:—"পণ্ডিতং টোপং"। কিন্তু মোৰ সংস্কৃত শুনি পণ্ডিতে মোক নলগাকৈ, মোৰ কাণ হে মোহাৰি দিলে! কেনে অকৃতজ্ঞতা দেখিলা! গুণীৰ গুণৰ শলাগ লবৰ উদাৰতা কেইজনৰ আছে? তুমি জানা, মোৰ সেইটো গুণ কিমান সৰহকৈ আছে। আনৰ কথাকে নালাগে, সেই পণ্ডিতেই এদিন মোক বঙ্গলা পঢ়াওঁতে বঙ্গলা পাঠ্য কিতাপটোৰ এই শাৰীৰ মানে—"জন্সন সস্ত্ৰীক শকটাৰোহণে বিয়েনা হইতে কনিষ্কবৰ্গে গমন কৰিলেন"—এই দৰে মোক বুজাইছিল:—"জন্সন চাহেব বিয়ে না হইতেই নিজেৰ স্ত্ৰীৰ সহিত শকট অৰ্থাৎ গাড়ীতে চড়িয়া কনিষ্কবৰ্গে চলিয়া গেলেন।" মই পণ্ডিতক সুধিলোঁ, "বিয়া নোহোৱাকৈ জন্সন সস্ত্ৰীক গল কেনেকৈ?" পণ্ডিতে কলে "তাদেৰ সে ৰকম হয়ে থাকে!" বঙ্গলা কিতাপটোত, অষ্ট্ৰীয়াৰ প্ৰধান নগৰ Vianaক "বিয়েনা" লেখিছিল, সেইটোৰে মৰ্ম্মভেদ কৰিব নোৱাৰি আমাৰ বিদগ্ধ পণ্ডিতে "বিয়েনা" বুজি সেই দৰে অৰ্থ কৰিছিল। মই কিন্তু বাঃ বাঃ কৰি পণ্ডিতক কত শলাগি সম্মান দেখুৱাইছিলোঁ তাক কি কম।

মুঙ্গেৰ চহৰখন দেখিবলৈ বেছ। গঙ্গাই সাবটি ধৰি আছে। মুঙ্গেৰৰ পুৰণি fort দুৰ্গৰ ভিতৰত চৰ্কাৰী কেচাৰী আৰু আন আন অফিচবোৰ। চৰ্কাৰী বিষয়াবোৰৰ সৰহভাগ এই ফোৰ্টৰ ভিতৰতে থাকে। ফোৰ্টৰ ভিতৰৰ ঠাইডোখৰ দেখিবলৈ বঢ়িয়া। প্ৰায়েই জমিদাৰ আৰু ধনীমানুহৰ ঘৰবোৰো ফোৰ্টৰ ভিতৰত। ফোৰ্টৰ ভিতৰৰ ঘৰৰ ভেৰোণও বৰ বেছি। ফোৰ্টৰ পুৰণি ramparts গৰৰ ঠায়ে ঠায়ে ভাগি গৈছে। বঙ্গদেশৰ নবাব মীৰকাচিমে এই ফোৰ্টৰ ভিতৰতে আশ্ৰয় লৈ ইষ্টইণ্ডিয়া কোম্পানীৰ সৈন্যৰে সৈতে যুজিছিল। অৱশেষে ফল কি হল তুমি জানা, কিয়নো তুমি ভাৰত-বুৰঞ্জী পঢ়িছা। কালি নাৱেৰে গঙ্গাত ফুৰিছিলোঁ। গঙ্গাৰপৰা মুঙ্গেৰ চাবলৈ বৰ ভাল লাগে। আমাৰ ডাক-বঙ্গলা ফোৰ্টৰ বাহিৰত,



ওচৰতে, আৰু ৰেলৰ ষ্টেচন আৰু জাহাজঘাটবো ওচৰতে। কাশীতো নাৱেৰে এই দৰে কাশীৰ দশাশ্বমেধ, মণিকৰ্ণিকা আদি ঘাটেৰে সৈতে কাশী চহৰখন মই চাইছিলোঁ। অৱশ্যে কাশী ডাঙৰ, আৰু তাত অনেক মানুহ, মুঙ্গেৰ সৰু চহৰ। আমাৰ নাৱৰ ওচৰতে এটা ঘৰিয়াল ওলাইছিল। নাৱৰীয়াইতক সেইটো কি বুলি সুধিলত সিহঁতে কলে "ঘৰিয়াল"। মই "মকৰ" "মগৰ" বুলিলত সিহঁতে নুবুজিলে। আমিও অসমীয়াত "ঘৰিয়াল" বোলোঁ। সিহঁতৰ মুখত "ঘৰিয়াল" শুনি মোৰ মনটো শুত লাগি গৈছিল। ইয়াত গঙ্গাৰ এটা বিখ্যাত ঘাট আছে, তাৰ নাম "কষ্টহাৰিণীঘাট"। ইয়াৰ সাধাৰণ শ্ৰেণীৰ মানুহে উচ্চাৰণ কৰে "কাথাৰিণী"। সেই ঘাটতে আমি নাৱৰপৰা নামি নাও এৰি দি, খোৱাৰ গাড়ীৰে ডাক-বঙ্গলালৈ আহিলোঁ। "আমি" বোলোঁতে মোৰ লগৰীয়া ভদ্ৰলোক স্বামী স্ত্ৰী দুজনক বুজাইছোঁ। ভদ্ৰলোকজনে আমাৰ সকলোৰে হৈ নাৱৰ গুৰিয়াল আগোৱালকে এটকি ৰূপ দিলে। মইও সেই টকাটিৰ ভিতৰুৱাকৈ আদখিনি বৰঙণি (subscritpion) দিব খুজিছিলোঁ, কিন্তু মোৰ বৰঙণিলৈ তাত ঠাই নাই বুলি ভদ্ৰলোকজনে ডাঠকৈ কলত, মোৰ হাতৰপৰা সৰকিব খোজা আধলিটো মোৰ হাততে থাকিল। তাহানি কোনে, মোৰ মনত নাই, কিন্তু এজনে মোৰ হাত চাই কৈছিল, যে "তুমি এনে কিৰ্পিন হবা, যে তেমাৰ হাতেদি পানীও নসৰকে।" সেই কথালৈ মোৰ আজি মনত পৰিছিল। সেই গণকজনক আজি পোৱাহেঁতেন, এই বাহি হোৱা আধলিটো ভঙাই তাৰপৰা পইচা এটাকে তেওঁক দি প্ৰমাণ কৰি দেখুৱালোঁহেঁতেন মই কেনে দানী।

পীৰ-পাহাৰটি দেখিবলৈ বৰ ভাল। সীতাকুণ্ডৰ ওচৰতে। আগেয়ে সেইটো মহাৰাজা যতীন্দ্ৰমোহন ঠাকুৰৰ আছিল; তেওঁৰ পুতেক ঠাকুৰে সেইটো বেচি দিলে। সি এতিয়া কলিকতাৰ কোনবা মণ্ডলৰ সম্পত্তি। পাহাৰৰ ওপৰত সুন্দৰ ঘৰ। এনে সুন্দৰ সম্পত্তিও মানুহে বেচে! শুনিছোঁ, বোলে বৰ সস্তাত বেচিলে। বেচোতাই শঙ্কৰাচাৰ্য্যৰ সেই শ্লোক কাকি পঢ়ি, মোৰকৰোঁ তেওঁৰ বৈৰাগ্য উপজিছিল—"অৰ্থমনৰ্থং ভাবয় নিত্যং। নাস্তি ততঃ সুখলেশঃ সত্যং।" মোৰ নিচিনা অৰ্থপিপাসুৰে বেচিব লগীয়া হোৱাহেঁতেনও, এই পীৰপাহাৰ নেবেচি আন কিবা এটা বেচিলেহেঁতেন, ধৰোঁ, আমাৰ "শ্লেকীক" বা "মিকাক" নাইবা "লেচিক" আৰু তাৰেই খাব মাৰি পীৰপাহাৰ ৰক্ষা কৰিলোঁহেঁতেন। বোলোঁ, মোৰ নিচিনা

বুধিয়ক মানুহ এই পৃথিবীত কেইটা আছে? সেইদেখিয়েই গগনমণ্ডলে মোক গাওঁবুঢ়া উপাধি দিছে; নাই দিয়া যদিও দিয়াটো উচিত। তুমি কি বোলা?

ইয়াত শেহ ৰাতি অলপ জাৰ জাৰ যেন লাগে; কিন্তু দিনত হলে ৰদ পিঠি-ফটা, আৰু ঘাম ভৰ-ডেকা। আৰু দুটি বস্তুৰ ইয়াত বৰ মহতালি,—মহ আৰু মাখি। তাহানি হেনো লৰা ঈশ্বৰ গুপ্তক (যি পিছত বঙ্গদেশত বিখ্যাত কবি হৈছিল, আৰু বঙ্কিম বাবুকে আদিকৰি বঙ্গ-সাহিত্য-আকাশৰ নাম-জ্বলা জোটাতৰাসকলে যাৰ সম্পাদিত "প্ৰভাকৰ" কাকত, আৰু অলেখ কবিতা পঢ়ি নিজৰ ভবিষ্যত জীৱনলৈ "মাল মছলা" গোটাইছিল কোনবাই সুধিছিল—"কি হে ঈশ্বৰ গুপ্ত, তুমি কেমন আছ?" লৰা ঈশ্বৰ গুপ্তই ততালিকে জবাব দিলে "ৰেতে মশা, দিনে মাছি। এই নিয়েই কলিকাতায় আছি॥" মযো তেওঁৰ কথাকে ব্যৱহাৰ কৰি কওঁ,—"—এই নিয়েই মুঙ্গেৰে আছি॥" এতিয়া প্ৰায় দিনৰ বাৰ বজা; কিন্তু কাপোৰৰ দাঁৰত, দুৱাৰ-চুকত, গৃহস্থৰ ঘৰৰ ন বোৱাৰী জোপা মাৰি লুকাই থকাদি কত মহ যে আছে, তাক কি কম। সন্ধ্যা লাগিলেই মহৰ "কনচৰ্ট" হয়, আৰু সেই কনচৰ্টৰ "ঐক্যতান বাদ্য" চৰ্কাৰী আলিৰপৰা শুনি। "সঙ্গীত সঙ্ঘ" পৰিদৰ্শিকা ইয়াত থকাহেঁতেন "সঙ্গীত সঙ্ঘৰ" এক অধিবেশনৰ নিমিত্তে, ছাত্ৰ ছাত্ৰীসকলক "ৰেহাই দি" অৰ্থাৎ অলপ আহৰি দি, এই কনচৰ্ট শুনিবলৈ বন্দবস্ত কৰিব পাৰিলেহেঁতেন। এতিয়াও তুমি তেওঁক লগ পালে কবা, তেওঁ সুধি চাওক; যদি তেওঁলোক মাগি হয়, তেন্তে মই "সঙ্গীত-সঙ্ঘৰ" উপকাৰৰ অৰ্থে মোৰ খৰচতে এই কনচৰ্ট পাৰ্টি ইয়াৰপৰা পঠিয়াই দিম।

আজিলৈ, তুমিও থাকা, মযো থাকোঁ, আৰু এই চিঠি লেখাও এইখিনিতে থাকক।

বোলোঁ আহিলোঁ হে। তোমাৰ "কৃপাবৰ"।

---

## বৰবৰুৱাৰ কবিতাৰ পিৰ্পিৰণি।

বোলে "আইও যায় গঙা; বাইও যায় গঙা; বোন্দা "মেকুৰী"য় বোলে মযো যাওঁ গঙা।" বৰবৰুৱাই কবিতা লেখে; "হৰ্ণড্‌বুলেও" (Horned bull)



"কাইব" লেখে, তাকে দেখি গা উঠি আমাৰ সুদৰ্শন শৰ্ম্মাইও বোলে "কাইব" লেখে! তলত দিয়া কবিতা দুটা বা খণ্ড "কাইব হাল" বোপা সুদৰ্শনে লেখি আনি আজি পুৱাই মোৰ আগত পঢ়ি শুনাইছিল। মই সুধিলোঁ, "তোমাক কিহে পালে?" তেওঁ উত্তৰ দিলে "কবিতাই"। মই সুধিলোঁ ক'ত? তেওঁ কলে "পৰ্ব্বতৰ ঠেকত"। মই সুধিলোঁ "পালত তুমি কি কৰিলা?" তেওঁ কলে। "সঙ্কুচিত সুদৰ্শন পৰ্ব্বত-ঠেকত।" মই কলোঁ "দীঘল দি অলপ পৰি তং নললা কিয়?" তেওঁ কলে "দীঘল দি পৰি আছিলোঁ, কিন্তু এনেতে কৰবাৰ গাৰোৱান এটাই সেই পিনেই গাড়ী লৈ আহি, আৰু এমিনিট মানতে মোৰ ওপৰেদি গাড়ীখন চলাই দিলেইহেঁতেন। বিপদ দেখি লৰালৰিকৈ উঠি মই সুস্থ হৈ কাষৰ-কাতি বহিলোঁ।" মই সুধিলোঁ—"গাড়োৱানটোক ধৰি কিলাই নিদিলা কিয়?" তেওঁ কলে—"তাকো দেখিলোঁ, সিও ভয়ত পৰ্ব্বত-ঠেকত সঙ্কুচিত। সেইদেখি তাৰ ওপৰত মোৰ কৃপা সম্পজিল,মই তাক এৰি দি চোলাৰ মোনাৰ পৰা কাকত পেন্সিল উলিয়াই তেতিয়াই এই কবিতা দুটা লেখি মনৰ চাটিফুটি মাৰিলোঁ।" মই সুধিলোঁ "কোন পৰ্ব্বতত?" তেওঁ কলে "কামাখ্যা পৰ্ব্বতত।" মই সুধিলোঁ "কামাখ্যা পৰ্ব্বতলৈ গাড়োৱানে গাড়ী তুলিছিল কেনেকৈ?" তেওঁ কলে "সেইখন বলধি-গৰুৰ গাড়ী নহয়, মনোৰথ।" এই কথা শুনি মই সুদৰ্শনৰ পিঠিত তিনটা চাপৰ মাৰি কলোঁ—"তুমি কাইব লেখিব পাৰিবা। তুমি আজিৰপৰা নিৰ্ভয়ে দ্বিপদী, ত্ৰিপদী, চতুষ্পদী, কবিতা লেখিবলৈ আৰম্ভ কৰা, তোমাক মই বৰ দিলোঁ, তুমি চতুষ্পদী কবিতাত প্ৰধান হৈ প্ৰবীণ "কাবিত্যিক" হবা, আৰু সেইবাবে তোমাক গগন মণ্ডল চাহাবে কালক্ৰমত গাওঁবুঢ়াও পাতিব। আজিৰপৰা তুমি ৰবি ঠাকুৰৰ নিচিনাকৈ দীঘল চুলিও মন গলে ৰাখিব পাৰিবা, আৰু তাৰ পিছত দন্ত বিকাশ কৰি হাঁহিবও পাৰিবা, তোমাক দেখিবলৈ বঢ়িয়া হব। কিন্তু সঁচাকৈ কৈছোঁ, উদ্দীয়মান অৰ্থাৎ উধান বা উধাও কবি তোমাক দেখি মোৰো মুখটোত কবিতাই পিৰপিৰাইছে,—নিশ্চয় ওকণীয়ে নহয়, তেহেলৈ শতুৰুৱে যি কওক—সেইদেখি তোমাক সাদৰ-সম্ভাষণ কৰি মযো এচিকটা কবিতা লেখি তোমাক উপহাৰ (শিয়ঁৰি উঠিলা কিয়? প্ৰহাৰ নহয়, উপহাৰ হে) অৰ্থাৎ বঁটা দিলোঁ।

BHUYAN FAMILY LIBRARY
COMPANY BAGAN ROAD,
GAUHATI, ASSAM.



( সুদৰ্শন বিৰচিত কবিতা )

## মাথোন এটি কথা।

মাথোন এটি কথা, বন্ধু, মাথোন এটি কথা, :-
সঁচাকৈ তোমাৰ মোলৈ লাগে ন হে বেথা ?
খুলি কবা হিয়াখনি, নকৰিবা আৰ।
জীয়া, মৰা, তোমাৰ হাতত এই বেচেৰাৰ !!
নিঃকিনৰ জীয়া মৰা সমান সদাই।
তোমাৰেহে বৰ, যাব, মোৰ একো নাই ॥
বিলালো হৃদয়খনি, সকলো সঁপিলোঁ।
সেইদেখি বন্ধু তোমাক কথাষাৰি কলোঁ ॥

***

কি কৰিম নো আৰু বন্ধু, কি কৰিম নো আৰু ?
প্ৰাণ দিলোঁ, মন দিলোঁ, কি থাকিল নো আৰু!
মৰম-সফুৰা মেলি উদঙাই মালতী
ভিকহ সৰ্ব্বস্ব হল, দেহ-লাওটি কাতি।
তথাপি বেজাৰ নাই, নিজক দানি সুখ,
উচিত হে বন্ধু তোমাৰ এবাৰ চোৱা মুখ।

সুদৰ্শন।

( বৰবৰুৱা বিৰচিত বঁটা )

কবিতাৰ পিৰ্‌পিৰণি সহা বৰ টান।
গোটেই মূৰৰ খজুৰতিত লৰে দুই কাণ ॥
আকুহি বাকুহি মূৰ ত্ৰিপদীৰ জনম।
চতুৰ্দ্দশত শিং গজি চতুষ্পদ পৰম ॥
খৰীয়াই বৰত বচে খৰ-সুত কবিতা।
খজুৰতিত গুত লভি হয় তৰা ভোটা ॥

কৃপাবৰ।

---



## জুগুলীলৈ চিঠি।

( প্ৰাপ্ত )

(১)

জুগুলী সম্পাদক ককাইদেও,

আজি বৰ মস্কিলত পৰি আপোনাক কথা এটা সুধিব লগীয়া হলোঁ। কাকতত দেখিলোঁ, ১লা জুলাইত যিবোৰ ছাত্ৰৰ ১৬ বছৰ পূৰ হব, সিহঁতেও হেনো, নকৈ খিৰ হোৱা ৩১ জুলাইত মেত্ৰিক পৰীক্ষা দিব পাৰিব। মোৰো বয়স ১৬ৰ ওচৰা-উচৰি হৈছে; কিন্তু ১ জুলাইত মোৰ ১৬ হব নে নহয়, মই সেইখিনিত অৰ্থাৎ সেই দিনাত নোলালেগৈ কেনেকৈ আন্দাজেৰে কওঁ? আৰু আন্দাজি কথা অগ্ৰাহ্যও, কাৰণ ভুল হলে মিছা কোৱা হব, আৰু মিছা কথা কোৱা পাপে। মই আমাৰ হেডমাষ্টৰক সুধিছিলোঁ, তেওঁ কলে "মই নিজৰ কথাহে কব পাৰোঁ, লোকৰ কথা কেনেকৈ কম? মই তো সৰ্ব্বজ্ঞান নহওঁ।" মই মহা মস্কিলত পৰিলোঁ; আপুনি বুধি এটা দিয়ক। ইতি

শ্ৰীবুদ্ধিনাথ দাস।

মোৰ বুধিয়ে এই প্ৰশ্নৰ উত্তৰ দিবলৈ নাটে। তুমি "আসাম ফ্ৰন্টিয়েৰ গেজেটৰ" সম্পাদক নাইবা গহপুৰৰ গাওঁবুঢ়াক সোধাঁ, বুধি পাবা।

জুগুলী সম্পাদক।

( ২ )

প্ৰিয়—

কেবা দিনো হল, তোমাৰ চিঠিখনি পাই মোৰ অনাহাৰী চেক্ৰেটৰীক উত্তৰ দিবলৈ হুকুম দিছিলোঁ, কিন্তু চেক্ৰেটৰীয়ে আগৰ বিলাতী মোকামডাল পুৰণি হোৱাৰ কাৰণেই নে কি "গদাগজি" কৰি হুকুম "অমান্য" কৰে আৰু হুকুম অমান্য কৰাৰ বাবে হেনো তেওঁৰ দণ্ড হব নোৱাৰে, কাৰণ হুকুমটো বোলে "ডিউলি প্ৰমল্‌ গেটেড" নাই হোৱা। সেই কাৰণে সম্প্ৰতি একো উপায় নেদেখি, এই বাৰ যাব পাৰিলে তোমালোক সকলো হনাৰেবোলক গোটাই লৈ সভা পাতি দণ্ডবিধি আইনখন "এমেন্দ" কৰিবলৈ ঠিক কৰি থৈছোঁ। তোমালোকো ঠিক থাকিবা। আৰু এই বিষয়ে সভাত কোনে কি বক্তৃতা কৰিবা তাক কাৰবাৰপৰা লেখাই লৈ নিতৌ নিশা দুইমান বজাত উঠি বাহী পাটীতে বাহী মুখে পঢ়ি পঢ়ি সৰসৰীয়াকৈ থবা যেন নিজে লেখাৰ দৰে থৰিচা নথকাকৈ সভাত পঢ়িব পাৰিবা। তথাপি যদি "অস-

৫

মীয়াৰ থাৰ খোৱা মুখত” কেনেবাকৈ দুটা এটা কথা ফুটি উঠিব নোখোজে তেনেহলে “কাহটো” বা “খেকাৰিটো” মাৰি সেই কথাটো আনে গম নোপোৱাকৈ এৰি থৈ যাবা।

এইজনী ছোৱালী তোমাৰ “ছোৱালী বিভাগত” “পেটমছা” সেই কাৰণে এই বিগ্নাথন চাবলৈ মন গৈছিল; আৰু মনৰ ইচ্ছাৰ কথা চেক্রেটৰীক কোৱাত. কিবা হেনো ইষ্টাৰ নে মিষ্টাৰ বন্ধ আছে তেতিয়া নিম বুলি কলে। তাৰ পাছত চাৰি দিন ঘৰত বহি থকা দেখি “ইনো কি” বুলি সোধাত কলে “এইয়ে ইষ্টাৰ বন্ধ, নতুন চাহাব হব, বিহুৰ বন্ধত থৈ আহিমগৈ।” আজি বিহুৰ বন্ধৰো শেষ দিন। চেক্রেটৰীয়ে কি দৰে ফাকি দিলে তাক বুজিলাই। মোটৰ ওপৰত যোৱা নহল। সেই বাবে যেন বেজাৰ নকৰা। আমি ভালে আছোঁ। মাজে মাজে “দেহাৰ তত্ত্ব” লেখিবা। সকলোকে মৰম কৰা। ইতি—

তোমাৰ মৰমৰ।
শ্ৰী—

( ৩ )

ইয়াত আহি হি, আপনাক এটা পত্র লিখিছিঁলো। বোধ কৰোঁ হি কাণৰ ভিতৰ দি মৰমত পৌছা নাই, হেই থাতিৰেই আৰু মোৰ দুৰ্ভাগ্য বশতঃই এতিয়ালেকেও উতৰ পোৱা নাই।

এই জায়গাটো বড় নির্জ্জন। কবলৈ পাৰোঁ আপনাৰ নিছিনা এজন কবি মানু ইয়াত আহিলে প্রকৃতিৰ বাঁশৰীৰ স্বৰ হুনি হুনি চিত্তহুয়াৰৰ মুকল তাৰত ঝঙ্কাৰ উঠিবো।

আপুনি কেনেকে আছে। বিজন কি হুজন বনত ফুল ফুটিলে সকলো মানু হেই তাৰ গন্ধ পায়। আপনি যে কইছিলে আপনাক ময় এতিয়াও হেনো বুঝা নাই।

টাকা টো কেতিয়া পাঠাম্। অণুগ্রহ কৰি আপুনি যদি মোক্ এবেলি হেই হবটু দিয়ে বড় বাধিত হম্।

আথা কৰো মোৰ ভুলভুৰ মনত নলব। ময় ইচ্ছা কৰিই বনান ঠিক ৰাখা নাই, যেনেকো উচ্চাৰণ কৰোঁ তেনেকৈ কি লেখা উচিৎ ন হয়!

আমালোকে ভাল। ইতি,

---



# বৰবৰুৱাৰ জুগুলী কাকতৰ বাতৰি।

আসামত সমুদ্রৰ মাছ :—সমুদ্রৰ মাছ সৰহকৈ খালে পেট কামোৰে বুলি কয়। আমাৰ আসামত অসমীয়া সাৱধান হোৱা উচিত। কিন্তু আসামত সমুদ্রও নাই, সমুদ্রৰ মাছও নাই।

•••

সিদিনা প্রধান মন্ত্রী লয়েড্ জর্জ্জক লণ্ডন নগৰৰ “ফ্রিডম” ( freedom of the city of London ) দিলে। ইয়াৰ ফলত, তেওঁৰ সন্মানৰ বাহিৰে এইটো লাভ হল :—তেওঁ কেতিয়াবা ধনৰ দুখত পৰিলে লণ্ডনে ধনেৰে সহায় কৰিব। জুগুলীয়ে কয়, লণ্ডনৰ এইটো টেঙৰালি; কাৰণ লয়েড জর্জৰ নিজৰ যথেষ্ট ধন আছে, তেওঁ ধনৰ দুখত নপৰে। সেইদেখি জুগুলীয়ে এইটো মিছা দান আৰু অপাত্রত দান বোলে। তেওঁলোকৰ উচিত আছিল জুগুলী সম্পাদক বৰবৰুৱাক “ফ্রিডম্ অব্-দি চিটি-অব-লণ্ডন” দিয়াটো। তেনেহলে, সেই টকাৰে তেওঁ অনেক ডাঙৰ কার্য্য কৰিব পাৰিলেহেঁতেন। তেওঁ ডেৰকুৰি কিতাপৰ গ্রন্থকাৰ; সেইবোৰৰ ১০ খন ছপা হৈ ওলোৱা, ১০ খন হাতে লেখা ( manuscript ) অৱস্থাত, ৫ খন তেওঁৰ গর্ভত, আৰু ৫ খন তেওঁ ৰচনা কৰিব বুলি ভাবিছে। ছপা হৈ ওলোৱা দহ খনৰ প্রথম তাঙৰণ ঢুকাব লগীয়া হৈছে। এতেকে এই টকা তেওঁ পোৱাহেঁতেন, তেওঁ আসামৰ সাহিত্যৰ পথুৱাত এই ডেৰকুৰি কিতাপৰ লালুকী মেলি দিব পাৰিলেহেঁতেন। লণ্ডনৰ বুদ্ধি-চুদ্ধি নাই দেখিছোঁ।

## ডাঙৰ “হিউমৰ”।

. সকলো বস্তুৰে ডাঙৰ সৰু আছে; হিউমৰৰো ডাঙৰ সৰু নাথাকিবৰ কাৰণ নাই। হিউমৰ মানে নজনাসকলক কওঁ—ৰসিকতা, যাক অসমীয়া কথাত খুহুতীয়া কথা বুলিলেই কাম চলিব। শব্দটো কৰপৰা ওলাইছে, অসমীয়া ভাষাত পণ্ডিত ভাষাতত্ত্বজ্ঞসকলক কলেই হব যে সি অসমীয়া “হাহি ঔ মৰা” এই কেইটা শব্দৰপৰা উদ্ভব হৈছে। তলত দুটা-চাৰিটা ডাঙৰ হিউমৰৰ চানেকী দিওঁ, যিবোৰ দেখিলেই তেওঁলোকে বুজিব পাৰিব,—কেনে বিধৰ ডাঙৰ হিউমৰ “পয়দা” কৰিব পাৰিলে ডাঙৰ “হিউমৰিষ্ট” অর্থাৎ খুহুতীয়া হব পাৰি।—

(১) বিৰহপতীয়া গাওঁবুঢ়া কালি থৰন পিচ্ছি খট্‌খটাই “কানজাৰি” চাই ফুৰোঁতেই পিছলি গাটত পৰিল! —হি—হি —হি — ডাঙৰ হাস্য)।

(২) বিৰহপতীয়াই কলে "হেৰ ভদো, তই অমুকৰ পো কটা!" (হি-হি-হি)।

(৩) বিৰহপতীয়াই বঙ্গলা ভাষা ভালকৈ শিকি পঁড়িত হৈ গাওঁবুঢ়ানীক বঙ্গলাতে সুধিলে "কৰ্ত্তা, বাত বান্ধিলা নে কেনে?" গাওবুঢ়ানীয়ে মুখ বিকটাই কলে "এই গৰিহাখোৰাটোৱে কেনেখন কৰে!" বিৰহপতীয়া চক্কাৰৰ ঘৰৰ ভাঙৰ বিৱয়া, গাওবুঢ়া, তেওঁ অপমান পাই ঘৈণীয়েকৰ ব্যৱহাৰৰ প্ৰতি কৰ্ত্তৃপক্ষৰ মনযোগ আকৰ্ষণ কৰিবলৈ সঙ্কল্প কৰিলে।

(৪) মোৰ কুকুৰটোৰ নেজডাল কটা; মোটে ২ আঙ্গুল মানহে পূৰ্ব্বৰ নেজৰ অৱশিষ্ট আছে। কালি সি মোৰ ওচৰত বহি সেই খৰা দুআঙ্গুলীয়া নেজডোখৰকে লৰাই আছিল। মই ভাবিছিলোঁ,—এই দুআঙ্গুলও যদি কোনবাই কাটি দিয়ে, তেন্তে সি কি লৰাব? কুকুৰভক্তসকলৰপৰা এই প্ৰশ্নৰ উত্তৰ পাবৰ আশা কৰিলোঁ।

(৫) গাওঁবুঢ়াই কালি গুড়েপিঠাগুৰিৰে জলপান এটা খালে। হি—হি—হি—(ভাঙৰ হাস্য)।

শ্ৰীতৰুণ প্ৰবাসী।

***



উধান কাব্যিত্যিক হৰ্ণ্‌ড্‌বুলৰ গাড়্যাৰোহণ।

হাঁহিছ কিয়? খুটি দিম বুলি জনা নাই নে?
আকৌ হাঁহিছ?—অ মোৰ শিং ভগা দেখি? আকৌ গজিব; তেতিয়া খ[illegible]বি!

ববৰুৱা কুপাবৰ।

---



# নগা-কথা

## বা

## গদাপাণিৰ সংবাদ

ভৰণ-পোষণৰ উপায় পাই, ১৯০৪ খৃষ্টাব্দত নকচাৰিলৈ আহি, চাৰিআলিৰ ডাকবঙলাত বাতি থাকিলোঁহি। বাতিপুৱা প্ৰায় দহ বজাসানত চকিদাৰে আমাক কলে যে "আপোনালোক যুগুত হওক, অলপতে নগা পাবহি।" এই কথা শুনি গা-পা ধুই, আহাৰাদি কৰি, আজি নগাপৰ্ব্বত চাবলৈ পাম, এই আশাত নিজৰ কাপোৰ-কানি বান্ধি যুগুত হলোঁ। এনেতে পৰ্ব্বতৰ ফালে অদ্ভুতৰূপে হৈ দিয়া শুনি, আলিলৈ আহি দেখিলোঁ, যে নগা এদলক চিপাহিবিলাকে গৰু খেদাদি খেদি আনিছে। নগাদলে খেদা খাই, অলপতে আমাৰ ওচৰ পালেহি। চিপাহিবিলাকৰ মূৰত "খাকী" বৰণৰ চাহবী টুপী, গাত "খাকীকোট", "হাফ-ট্ৰাউজাৰ", পটি আৰু জোতা। হাতত বন্দুকৰ সলনি নগা-যাঠী, কঁকালত চঙ্গিন্ আৰু "কুক্‌ৰী দা। চিপাহিবিলাকৰপৰা জানিব পাৰিলোঁ যে, আমাৰ নিমিত্তে আৰু এদল নগা পাছত আহিছে। চিপাহিবিলাকে এই কথা কৈ, নগাবোৰক বেল-ষ্টেশনৰ ফালে লৰবাই নিলে।

অলপ পাছতে অন্য এদল নগা, গুৰিবাঁহ একোডোখৰৰ, অদ্ভুতৰূপে সজা "চকি" কেৰাখনো পিঠিত লৈ আহি, আমাৰ ওচৰ পালেহি। চকি দেখিয়েই, তিকতাবিলাক ভয়ত অস্থিৰ। তেওঁলোকে পূৰ্ব্বে দোলা, গৰু গাড়ী, ৰেলত উঠিছিল, কিন্তু এতিয়া মানুহৰ —নহয় —নগাৰ পিঠিত উঠিব লাগিব; তাতে আকৌ চকিৰ তলভাগ মাছ ধৰা খোকাৰ দৰে, বাঁহডোখৰ কাটি টঙালেৰে গুঠি, মানুহ বহিবৰ উপযোগী কৰিছে। ভৰি ওলমি থাকিলে জিন্‌জিননি ধৰিব, এই নিমিত্তে ভৰি থবলৈ বাঁহ এডোখৰ ওলোমাই বন্ধা আছে। চকিখন মানুহে ধৰি নেৰাখিলে মাছ ধৰা খোকাৰ দৰে বাগৰি পৰি থাকে।

নগাবিলাকে চকিকিখন থৈয়ে, আমি থকা ঘৰৰ দুৱাৰ-মুখ, ভিতৰ, এনে কি ভাত বন্ধা ঘৰ পৰ্য্যন্ত সোমাই, আমাৰ জপা-পেৰাবিলাক দণ্ডি দাঙি সেইবোৰৰ গধুৰতা বুজিবলৈ ধৰিলে। জপা-পেৰাৰ গধুৰতা বুজি, আমাৰ লগৰ তৰোতাবিলাকলৈ চাই (অৰ্থাৎ কোন কিমান গধুৰ বুজি) সিহঁতে "হোৰাবপৰা, কৌপাতত বন্ধা টোপোলা ভাত উলিয়াই, একোখন পাতৰ চৰিওপিনে দুজন চাৰিজনকৈ বহি,

ভাত গলিয়াবলৈ ধৰিলে। গলিয়াবলৈ বুলি কলোঁ, কাৰণ, সিহঁতে ভাত খাওঁতে বুঢ়াআঙ্গুলিৰ নাম মাত্ৰহে সহায় লয়; অৰ্থাৎ ভাত এগাল মুঠিমাৰি, গোটাকৰি, আঁ কৰা মুখখনলৈ দলিয়াই দিয়ে। এই ভাতৰ দলিচপৰা মুখত নৌ পৰোঁতেই, আৰু অধঃকৰণ নকৰালৈকে, "হং হাং লাং বাং" কত ৰকমে কথা পাতিবলৈ আৰু খাবলৈ ধৰিলে। আমি চাই অবাক। বান্দৰে নো এনেকৈ খায় নে নেখায়, ভৱিষ্যতত পৰীক্ষা কৰি চাবলৈ মন কৰিলোঁ।

এইবোৰক, এইবিলাক বুলিম নে, ইহঁত বুলিম, ঠিকনা নেপালোঁ। যি হওক সিহঁতে এই প্ৰকাৰে কথা পাতি পাতি, ভাত খাই বাঁহৰ চুঙাত লাওপানী খাই, পাতৰ ভাত অস্ত হলত, ছুৰা হাত টিঙ্গাত মছি, কঁকালৰ বান্ধনিৰপৰা, বাঁহৰ চুঙাৰ ধপাত হোপা পাইপ (আমাৰ দেশীয় ধোঁৱা খোৱাৰ দৰে নহয়, অবিকল Smoking pipe) উলিয়াই, তৎসংলগ্ন বাঁহৰ কাঠি এডালেৰে "পাইপ" খৰকিয়াই, বাঁহৰ টেঙাত থকা মুছৰি খোৱা ধপাত পাইপত ভৰাই, তাৰ ওপৰত জুই-আঙঠা একো-ডোখৰ দি, কেতিয়াবা পাইপৰ ভিতৰেদি, কেতিয়াবা মুখৰ বাহিৰলৈ ধোঁৱা উলিয়াই, সিহঁতৰ গাৰ গোন্ধতকৈ দুৰ্গন্ধ কৰি গ্ৰোটেইখন মলমলাবলৈ ধৰিলে। গোন্ধত কিংকৰ্ত্তব্যবিমূঢ় হলোঁ। সিহঁতে ধপাত হুপি হুপি আমাৰ জপা পেৰা আদি পিঠিত তুলি, আমাৰ তিকতাবিলাকক চকিত কৰিবলৈ চকি পাতি ধৰিলে, তিকতাবিলাকে অন্য উপাই নেপাই, ৱৰাঁৰে মুখ ঢাকি চকিত ৰহিল। নিমিষতে নগাবিলাকে, তিৰতাবিলাকক পিঠিত লৈ, পোন হৈয়ে "হে" "হো" "হেল্লো" "হো" "হে" "হো" "হল" "হো" শব্দেৰে হৈ দি দি, পৰ্ব্বতৰ পোনে লৰ দিলে। মোৰ লগত অহা ডেকাজনে কেৱল জুমাহনানৰ পূৰ্ব্বে তেওঁৰ তিকতাক বিয়া কৰি আনিছিল। নগাবিলাকে মাল বস্তু আৰু তিকতাবিলাকক চিলনীৰ দৰে উৰাই লৈ যোৱা দেখি, তেওঁ লৰি লৰি নগাবিলাকতকৈ আগবাঢ়িবলৈ ধৰিলে। তেওঁ অলপ আবিকুঁজা; এনে লোকক ফেৰেকা-ফেৰেককৈ লৰ মৰা দেখি, আৰু তেওঁ নিজৰ তিকতালৈ ঘনে ঘনে চোৱা দেখি, তেওঁৰ মনৰ ভাব বুজি নেহাঁহি থাকিব নোৱাৰিলোঁ।

এই প্ৰকাৰে অলপ দূৰ লৰ দি, পৰ্ব্বত দেখি, নানা প্ৰকাৰ নতুন ভাব আহি, মন আলোড়িত কৰিলেহি। চাৰিওফালে পৰ্ব্বত, অগাধ অৰণ্য, কাঠনি, দলৌবাঁহৰ হানি, কত বাণৰ চৰাই, কত ৰকমৰ মাত, গছত হলো—"হ'ল ঔ হ'ল ঔ" গণ্ডগোল—নকৌ হনুমন্তৰ দল, কোনো ঠাইত পহুৱে আমাক দেখি লৰ দিছে, কোনো ঠাইত বাঘৰ খোজ, কোনো ঠাইত হাতীৰ খোজ। সম্মুখত "ব্ৰাইডেল্ পাথ্"; লেকাম লগাই ঘোঁৰাক লৈ যোৱা বাট, নে আমাৰ নিচিনা মানুহক লেকাম লগোৱাৰ দৰে টানি নিয়া বাট, পিছতহে বুজিলোঁ। এই আলি প্ৰায় তিনি হাত মান বহল; পৰ্ব্বতৰ সুবিধা মতে পৰ্ব্বতৰ গা কাটি উলিয়াইছে। এই আলিয়ে, মদ খোৱা মতলিয়াৰ দৰে, তললৈ ওপৰলৈ, সোঁফালে, বাঁও ফালে, আমাক বুলাই লৈ যাবলৈ ধৰিলে। অৰ্থাৎ নকচাৰিৰপৰা আমাৰ গন্তব্য ঠাই দক্ষিণে; কিন্তু এতিয়া আমি উত্তৰে, দক্ষিণে, পূবে, পশ্চিমে, উৰ্দ্ধে, অধে, এই "বৰআলিয়ে" যাবলৈ ধৰিলোঁ। এই আলিত লাহে লাহে যাবলৈ "আইন্" নাই। কাৰণ লাহে লাহে গলে, লৰ মাৰি যোৱা ভাৰীবিলাকৰ লগ ধৰিব নোৱাৰি, আৰু ভৱিয়ে হাতে, গায়ে মূৰে, ডাঁহ কোঁদো, বৰল, চেৰেপা ইত্যাদিয়ে কামোৰাৰ ভয়ত লৰ মাৰিবই লাগিব। আমাৰ দেশৰ লৰ মাৰিব পৰা ডেকাবিলাকৰ পক্ষে হলে অলপ উজু যেন লাগিব পাৰে।

এনে যাত্ৰাত গছ গছনি চাই যাবলৈ সময় নাই, কিন্তু গছৰ ভিতৰত শিলিখা, আৰু আমলখি গছলৈহে চকু গৈছিল, কাৰণ পিয়াহত, গছৰ তলত সৰি থকা গুটি বুতলি, মুখত দি, দি, লৰ দিছিলোঁ। আতাইটকৈ আগত সেই ডেকাজন, তেঁও তিকতাৰ কাষে কাষে লৰ দিছে, মাজত ভাৰীবিলাক, পাছত মই। এই নগাবোৰৰ গাৰ, খৰিচাৰ, লাওপানীৰ, শুকান মাছৰ, পাইপৰ ধপাতৰ (কাৰণ নগাবোৰে ভাৰ লৈ লৰ মাৰোঁতেও পাইপ্ মুখত দি ধোঁৱা উৰাই যায়) গোন্ধৰ মলমলনিত মন মজাই, ফোঁপাই-জোপাই, লগ নেৰাকৈ যাবলৈ ধৰিলোঁ। কেইমাইলমান এই প্ৰকাৰে আহি দেখিলোঁ যে, নগাবোৰে ভাৰ থৈ, বহি জুই ধৰিছে। ওচৰ পালত দেখোঁ যে এটি ক্ষুদ্ৰ ঝৰণা, কল্ কল্ শব্দে পৰ্ব্বতৰ গায়েদি বৈ গৈছে। নগাবিলাকে দলোবাঁহৰ চুঙা কাটি, চাহ পানী সিজাবলৈ ধৰিলে। মই সুবিধা পাই সিহঁতৰ ওচৰত শিল এটাৰ কাষত দীঘল দি, সুনীল আকাশ চাবলৈ ধৰিলোঁ। অলপতে নগাই, চুঙা এটাত এচুঙা চাহপানী আনি মোক খাবলৈ দিয়াত, হুচোকমান পেটলৈ পঠিয়াই, মুখ, জিভা, নেলু আদি পুৰিলত, বুজিলোঁ যে চাহপানী বৰ তপত। চাহপানীৰ চুঙা, শিলৰ কাষত থৈ, ঝৰণাত নামি, মুখ হাত ধুই, কেবা আঁজলি পানী খাই, এটি তৃপ্তিৰ নিশ্বাস এৰি, মনত হল যে "হায়! এই কেইমাইলমান বাট আহিয়েই, মোৰ জীৱনত, আজি নগাই সিজোৱা চাহপানী খালোঁ। হ'ল আৰু! এই বেলি পেটৰ নিমিত্তে নগা হব লাগিব নিশ্চয় বুজি, পুনৰ সেই চুঙাৰ

ওচৰলৈ আহি, এহতীয়া চুঙাৰ চাহপানী শেষ কৰি, চুঙাটো দলিয়াই পঠিয়ালোঁ। হাবিৰ ভিতৰত "ঝুপ" শব্দে চুঙাটো পৰা শুনি মনত হল যে, বাস্তবিক নগাবিলাকৰ একোৰে অভাৱ নাই, কঁকালত থকা দাখনেৰে, ওচৰত থকা বাঁহ এডোখৰ কাটি আনিলেই আৱশ্যকীয় সকলো পাত্ৰৰ কাৰ্য্য হব।

মই এই দৰে ভাবি থাকোঁতেই নগাবোৰে পিঠিত ভাৰ-লৈ "হে" "হো" "হেল" "হো" "হে" "হো" "হেল" "হো" শব্দেৰে আগলৈ লৰ দিবলৈ ধৰিলে। ডেকাজন একে জাপে আগ হল, মই পাছে পাছে লৰ দিলোঁ। কলৈ গৈছোঁ পাহৰিলোঁ, যাৰ লাগে গৈছোঁ। এই প্ৰকাৰে গধূলি হলত এটা পৰ্ব্বতৰ টিঙত সুন্দৰ "বাংলো" ঘৰ আদি দেখিলোঁ। সুধিলত জানিলোঁ যে এইযে "লাকুনী ডাকবাংলা।" বিশ্ৰাম কৰিবলৈ পাম বুলি, বেগাবেগিকৈ আহি, ডাঁকবাংলাৰ বাৰান্দাত আৰাম-চকি এখন পাই, ভৰি হাত মেলি আৰামেৰে বহিলোঁ। ডাকবাংলাৰ বাৰান্দা পশ্চিম-মুখীয়া, অগত্যা মইও পশ্চিমে মুখ কৰি বহিলোঁ। গধুলি বেলাৰ বঙা বদে খণ্ড-খণ্ড মেঘবিলাক শুৱনি কৰি, সকলোকে সন্তোষ লগাই, ৰাতিৰ নিমিত্তে যেন বেলিয়ে বিদায় লৈছে। বঙা বেলি, বঙা বদলৈ চাওতে চকু তললৈ গল'ত, আমি যে কিমান ওপৰত মেঘৰ লগত আছোঁ দেখি আচৰিত হলোঁ। ভৈয়ামৰ ওপৰত মেঘ, কেৱল কোনো কোনো অংশ মাথোন দেখা গৈছে। কিমান ওপৰলৈ উঠিলোঁ জানিবৰ মন গল, কিন্তু যন্ত্ৰ নথকাত বুজিব নোৱাৰিলোঁ। ভৈয়ামলৈ চকু দি দি থাকোঁতে, দেখিলোঁ যে ব্ৰহ্মপুত্ৰ দীঘল চেলেং কাপোৰৰ দৰে কেঁকুৰি-বেঁকুৰি, যেনে অদৃশ্য হৈছে। আসামৰ মানচিত্ৰৰ বৰণ সেউজীয়া। দেখিলোঁ যে বাস্তবিক আমাৰ আসাম সেউজীয়া। মনত বেজাৰ লাগিল, কাৰণ মানুহে পেটৰ নিমিত্তে সকলো কৰে, আজি আমিও পেটৰ নিমিত্তে জন্মভূমি এৰি, এই নগা পৰ্ব্বতৰ টিঙে টিঙে, নগাৰ লগত নগা হৈ ফুৰিব লগীয়াত পৰিলোঁ। ক্ৰমে চাৰিওপিনে আন্ধাৰ হৈ আহিল। মই দীঘল হমুনীয়া এটি পেলাই, "বংলোৰ" ভিতৰত সোমাই, আহাৰাদি কৰি বিশ্ৰাম কৰিলোঁ।

জে, এইচ, এনজ্ৰ।

---



# তেন্তে।

তেন্তে কি জীৱন এনেকুৱা কৰি
নিৰাশ বিফল হ'ব ?
চিৰকাল হায়, বুকুৰ মাজত
শোকৰ ধ্বাটি বব ?
সপোনত নতু কল্পনা আৰত
সৰগ ফুলৰ দৰে,
নীল আকাশত কিজানি ডাৱৰে
জীৱন লুকাই ধৰে ;
তেন্তে নোৱাৰিম তোমাক সেৱিব
হিয়াৰ মাজত ধৰি,
যাবানে হে তুমি চিৰকাল'লই
মোক একেবাৰে এৰি ?
সাগৰৰ দাতি পাইছোঁহি আহি,
চোৱা সউ ঢৌবোৰ ;
গুমৰি গুমৰি তাৰ মাজতেই
পেলাব জীৱন ওৰ।
আঁতৰিব যত মনৰ কামনা
বিফল বাসনাৰাশি।
মৃত্যুৰ শীতল অন্ধ আবৰণে
পেলাব জীৱন গ্ৰাসি ॥
তেন্তে কি বিদায় এই জীৱনত
এয়েনে কি শেষ দেখা ?
ইয়াৰ সিপাৰে কোনে ক'ব পাৰে
কিজানি কি আছে লেখা ?
সান্ধ্য সূৰ্য্যৰ হেঙুলী কিৰণে
সাগৰ বুকুত পৰি,
লহৰী লগত উমলি-জামলি
নাচে চিক্‌মিক্ কৰি।
ৰতনেৰে তুলি মুকুতাৰ ৰাশি
দিছেহি পোহৰে আনি।
মৰতত যেন নামে তৰা-বছা
নিশাৰ আকাশ খনি ॥

গোটেই জগত উঠিছে বিয়পি
এটি সকৰুণ তান।
কোনে নো বুজিব পৰাণৰ মোৰ
নিৰাশ শোকৰ গান ?

দুখ ভাগৰৰ বোজাটি কত নো
লম এনেদৰে ফুৰি ?
গলোঁ আজি তাক বালিৰ বুকুতে
জুৰণিৰ আশা কৰি ॥

জগতত আৰু নোযাবোঁ ঘূৰিব,
লাগিল আমনি মোৰ।
দিনে দিনে মাথোঁ আশাৰ ছলনা
নপৰে দুখৰ ওৰ ॥

তেন্তে শেষ, গোথা চেনেহ-সূতাৰে
মালতীৰ মালাধাৰি
নোযাৰিলোঁ হায়, পিন্ধাব ডিঙিত
আদৰ যতন কৰি ॥

অপূৰ্ণ বাসনা থাকিল অশেষ,
নামিল আন্ধাৰ আহি।
দুফুলিল আৰু হৃদি-ফুলনিৰ
প্ৰেমৰ কুসুম পাহি ॥

পূৰ্ণিমা পোহৰ, বসন্ত মলয়া
দুদিনতে উৰি গ'ল।
স্মৃতি-শ্মশানত অতীত ভৱিষ্য,
সুখ দুখ শেষ হ'ল ॥

নুকাল যেতিয়া আশাৰ পোহৰ
নিৰাশাৰ ছাঁত পৰি।
তেন্তে আতৰিলোঁ, মাগিলোঁ মেলানি,
দিলোঁ সকলোটি এৰি ॥

"যদু"

---



# বিলাতৰ কথা।

সেইবাৰ কেম্ব্ৰিজত দুজন স্বনামখ্যাত পুৰুষেৰে সৈতে দেখা হৈছিল—এজন ভাৰতৰ গৌৰৱ, আমাৰ প্ৰথম স্বীনিয়ৰ ৰেংলাৰ ( Senior Wrangler ) মিষ্টাৰ পাৰাঞ্জপি ( Mr. Paranjpe )। তেঁওৰে সৈতে St. John's College-অত দেখা হয়। মোৰ সহযাত্ৰী ( প্ৰথম বাৰৰ ) মিঃ যোগেন পাল সেই কলেজত পঢ়িছিল। এতিয়া শুনিছো যে মিঃ পাল আৰু ইহজগতত নাই। আগে কৈছোঁ, তেওঁ ইণ্ডিয়ান চিভিল চাৰ্ভিচ পৰীক্ষা পাচ হৈ যুক্ত-প্ৰদেশত ক... কৰিছিল। পৃথিবীৰ এই অনিবাৰ্য্য নিয়মৰ কোনে ব্যতিক্ৰম কৰিব ? "এ ভাৱ কত এল কত গেল, কেবা সংখ্যা কৰে তাৰ ; আবাৰ কত আসবে কত যাবে এ এক খেলা চমৎকাৰ"। এই খেলাৰ মৰ্ম্ম তেঁও লীলাময়ে জানে। "জন্মিলে মৰিতে হবে, অমৰ কে কোথা আছে ?" কালি এটি দুখৰ বাতৰি পালোঁ :—কটক ব্যাৰিষ্টৰ মোৰ সম্পৰ্কীয় মিঃ সুকুমাৰ ৰায় পৰলোকলৈ গৈছে। এওঁৰে সৈতে মোৰ দ্বিতীয় বাৰ বিলাতযাত্ৰাত বিলাতত প্ৰথম বেলি দেখা হৈছিল। এওঁ স্বনামখ্যাত স্বৰ্গীয় ক্ষীৰোদচন্দ্ৰ ৰায়ৰ পুত্ৰ। এওঁ কেমাহমান এটা অতি ... বেমাৰত ভুগি ২০ মে তাৰিখে দেহত্যাগ কৰে। এওঁ বেমাৰত ভুগি যি ... আৰ সাহসৰ পৰিচয় দিছে সি অতি প্ৰশংসনীয়। এই নিমিত্তে তেওঁক স্মৰণ ক... এই কেফাঁকি লেখিলোঁ। তেওঁৰ আত্মাৰ, ভগবানে মঙ্গল কৰোক। ... পাৰাঞ্জপেৰে সৈতে সেই কলেজত গ্ৰাবু কি/হুইষ্ট খেলিছিলোঁ। তেওঁক বেছ প্ৰফুল্ল দেখিছিলোঁ। বিদ্যাৰ সহচৰ প্ৰফুল্লতাও হব পাৰে। বিদ্বান হলেই গম্ভীৰ হৈ নি... বৰটো হেন ভাবি যে ওফন্দি থাকিবৰ দৰ্কাৰ নাই সেইটো পাৰাঞ্জপে মহোদ... ব্যৱহাৰৰপৰাই জানিব পাৰি। আমাৰ আসামৰ বিদ্বানসকল তেওঁৰ দৰে নে ?

সিজন হৈছেগৈ মিষ্টাৰ ৰে... ( Mr. Wren )। আপুনি Wren and Gurneyৰ ইণ্ডিয়ান্ চিভিল্ চাৰ্ভিচ পৰীক্ষাৰ্থীক পঢ়োৱা ক্লাচবোৰৰ কথা শুনিছে। এই ক্লাচবোৰৰ প্ৰধান মালিক আৰ শিক্ষক মিঃ ৰেণ আছিল। তেওঁৰে সৈতে দেখা হোৱাৰ কথা অলপ কৌতুকৰ। কেম্ব্ৰিজৰ Trunpington Road কি এনে এটা বাটেৰে এদিন দহমান বজাত ফুৰি থাকোঁতে অলপ বৰষুণ দিলে। সেই বৰষুণৰপৰা ৰক্ষা পাবৰ নিমিত্তে এজোপা গছৰ আশ্ৰয় ললোঁগৈ। সেই

গছজোপাৰ তলত আৰু দুজন মানুহে মোৰে দৰে আশ্ৰয় লৈছিল। এজন এখন Bath-chair-অত আউজি আছিল। Bath-chair বোৰ বেমাৰি কি বুঢ়া মানুহৰ পক্ষে বৰ উপকাৰী। বেমাৰি মানুহজন বহি কি অলপ আউজি শোৱাৰ দৰে বহি থাকিব পাৰে, আৰু আন এজন মানুহে টানি লৈ যাব পাৰে। তেওঁৰেই পাছত জানিব পাৰিলোঁ যে মিঃ বেণ আৰ আন জন তেওঁৰে সাহায্যকাৰী তেওঁৰ এজন বন্ধু। মই তেওঁলোকৰ লৈতে কথা আৰম্ভ কৰি দিলোঁ। বুঢ়া মানুহজনে সুধিলে "তুমি ভাৰতবৰ্ষৰপৰা আহিছা, নহয় নে?" মই কলোঁ যে "এৰা"। পাছত আন আন কথাৰ পাছত তেওঁ সুধিলে "তুমি ইয়াত কি পঢ়িছা?" মই—"এতিয়া ইস্কুলত পঢ়িছোঁ!। পাছত ইণ্ডিয়ান চিভিল চাৰ্ভিচ পৰীক্ষা দিম। আপুনি ইণ্ডিয়ান চিভিল চাৰ্ভিচ্ কি জানে নে?। এই পৰীক্ষা পাচ কৰিলে ভাৰতত জজ, মেজিষ্ট্ৰেট্ ইত্যাদি হব পাৰি। ইয়াত যেনেকৈ হোম্ চিভিল চাৰ্ভিচ্ পাচ কৰিলে কেৰাণীহে হব পাৰি ই তেনে নহয়। (তাত ডাকঘৰ ইত্যাদিৰ কেৰাণীবোৰকো, Home Civil Service-অত কাম কৰা বুলি কয়, সাধাৰণ মানুহে Civil Service বুলিলে তাক হে বুজে, সেইদেখিয়েই তেওঁক তেনেকৈ কৈছিলোঁ।) তেওঁ অলপ হাঁহি কলে যে "এৰা, মোৰ ইণ্ডিয়ান চিভিল্ চাৰ্ভিচৰ বিষয় অলপ জনা উচিত, কিয়নো মোৰ এটা তাৰে ইস্কুলৰ দৰে আছে।" তাৰ পাছত মোক কেআষাৰমান এই পৰীক্ষাৰ বিষয় উপদেশ দি কলে "তোমাৰ দেশৰ ল'ৰাবো... কেম্ব্ৰিজত বহুতে পঢ়ে, সিহঁতে নিশ্চয় কি কৰিব লাগে কৈ দিব।" কেজনমান বন্ধুক পাছত এই বিষয় কোৱাত কলে যে তেওঁৰেই ভাৰতত বিখ্যাত মিষ্টৰ বেণ। তাৰ কিছুদিনৰ পাছতে বোধকৰোঁ তেওঁ ইহলোক পৰিত্যাগ কৰে। তেওঁৰ Coaching classes (পঢ়োৱা ঠাই) লণ্ডনৰ বেজওৱাটাৰৰ পাওইচ্ স্কোয়েৰত (Powis Square) এতিয়াও আছে। তাৰ পঢ়াৰ খৰচ বছেৰেকত এশ আঠ গিনিমান্। কেম্ব্ৰিজ, অক্সফোৰ্ডৰপৰা ডিগ্ৰী লৈ তাত এবছৰমান ভাৰতীয় চিভিল্ চাৰ্ভিচৰ পৰীক্ষাৰ্থীবোৰে প্ৰায়ে পঢ়ে। নহলে কোনো কোনোৱে কোনো বিশ্ববিদ্যালয়লৈ নগৈ ইয়াতে গুৰিৰেপৰা পঢ়ে। এতিয়া মিঃ বেণৰ জোঁৱাইয়েক মিঃ টেইলৰে এই কামৰ তত্ত্বাবধান কৰে। মই হলে কওঁ যে তাত গুৰিৰেপৰা নপঢ়ি এটা বিশ্ববিদ্যালৰপৰা ডিগ্ৰী লৈ যোৱা উচিত। এই ডিগ্ৰীত এনেবোৰ বিষয় লোৱা উচিত যিবোৰ বিষয় ললে চিভিল্ চাৰ্ভিচ্ পৰীক্ষাত সাহায্য কৰিব। অঙ্ক (Methem-



atics) যি জন পৰীক্ষাৰ্থীয়ে ভালকৈ জানে তেওঁৰ এই পৰীক্ষাত পাচ হোৱাৰ বিশেষ আশা আছে। এজন পৰীক্ষাৰ্থীয়ে যদি মোক এই বিষয়ে উপদেশ সোধে মই কওঁ "প্ৰথমে এটা বিশ্ববিদ্যালয়ত ভৰ্ত্তি হোৱা, তাৰ একেলগে একে সময়ত এটা লণ্ডনৰ ইন্ কিম্বা টেম্পেলত (Temple) ব্যাৰিষ্টাৰি পৰীক্ষাৰ নিমিত্তে ভৰ্ত্তি হোৱা উচিত। তাৰ পাছত চিভিল্ চাৰ্ভিচৰ নিমিত্তে "শেষ পালিচ্ "(final polish) বেণৰ তাত লৈ লোৱাঁ গৈ।" চিভিল্ চাৰ্ভিচ্ পৰীক্ষাৰ্থী মাত্ৰেই এটা Inn কি Temple-অত তৎক্ষণাৎ ভৰ্ত্তি হোৱা উচিত। কিয়নো, বহুত ভাল ভাল লৰায়ো চিভিল্ চাৰ্ভিচ্ পৰীক্ষাত ফেইল হোৱা দেখা গৈছে। আৰু বহুতে চিভিল চাৰ্ভিচৰ পৰীক্ষা ফেইল হৈহে Inn কি Temple-অত ভৰ্ত্তি হয়। তেনে হ'লে বৰ সময় মিছায়ে নষ্ট হয়। তিনি চাৰি বছৰৰ কাম পাঁচ, ছয় বছৰত হয়। যদি হে চাৰ্ভিচ্ পৰীক্ষা পাচ হোৱা যায়:—well & good ভাল কথা পাছত এবাৰ furlough লৈ বাকিকেটা টাৰ্ম ৰাখি ব্যাৰিষ্টাৰী পাচ কৰিবলৈ যাব পাৰি। দুজন এজনে ইনত্ একেবাৰেই ভৰ্ত্তি নহয়, তেওঁলোক পাচ হলেতো কথাই নাই, কিন্তু চাৰ্ভিচ্ পৰীক্ষা ফেইল হ'লে কি হব? ইনত ভৰ্ত্তি নোহোৱাটো বৰ অদূৰদৰ্শিতাৰ পৰিচায়ক। খৰচ কেৱল আঢ়ৈ হেজাৰ টকা বেছি লাগিব। যি লৰাই চাৰ্ভিচ্ পৰীক্ষা দিবলৈ যাব তেওঁৰ পক্ষে আঢ়ৈ হেজাৰ টকা একো নহয়।

মই আমাৰ ইয়াত এম্, এ, পঢ়া লৰা সকলকো বি-এল্, পঢ়িবলৈ কওঁ। এম্-এৰ লগে লগে বি-এল্, পঢ়া একো টান নহয়। বহুতে কয় ৰাতিপুৱাথিনি এনেয়ে যায়, কিন্তু ৰাতিপুৱা দুঘণ্টা বি-এল্ কলেজত লেকচাৰ (lecture attend) এটেণ্ড্ কৰিও গোটেই দিনটো এম্, এ, পঢ়িবলৈ সময় দিব পাৰি। অথচ একে লগে এম্-এ বি-এল হব পাৰি যদি তোমাৰ ইচ্ছা ওকালতী কৰা, নহলে গৱৰ্ণমেণ্টৰ চাকৰী লোৱা আৰু নহলে স্বাধীন ব্যৱসায়ী হোৱাঁ। এম্-এ বি-এল হলে কাম পোৱাৰো বেছি সম্ভাবনা। কেনে সুবিধা চোৱাঁচোন্, অথচ তুমি কোৱা এম্-এ আৰু বি-এল্ একেলগে পঢ়িবলৈ টান পোৱা, কিয়নো ৰাতিপুৱাতে উঠি দুঘণ্টা ক্লাচ্ এটেণ্ড্ কৰিব লাগে। ই কথা [illegible]। তেনেকৈ পঢ়ি চোৱাঁচোন্ বাৰু। এই সংসাৰ কৰ্ম্মক্ষেত্ৰ, মহা কৰ্ম্মক্ষেত্ৰ। ডিমষ্থেনিচক এদিন এজনে কেনেকৈ বক্তা হব পাৰি তাক সোধাত তেওঁ তিনটা উপদেশ দিলে; প্ৰথম হৈছে action (কাম)। আকৌ মানুহজনে সুধিলে দ্বিতীয় উপদেশ কি?—ডিমষ্থেনিচে

কলে, action (কাম), আৰু তৃতীয় উপদেশো action (কাম)। এই সংসাৰো একৃত-নৃময়—inaction-অৰ দ্বাৰাই অৰ্থাৎ কাম নকৰিলে কোনো কাৰ্য্য সম্পাদন নহয়।

সেইবাৰ কেম্ব্ৰিজত পোন্ধৰ কুৰি দিন যে আছিলোঁ বৰ আনন্দেৰে আছিলোঁ। এনে আনন্দ এতিয়া শিলত মূৰ খুন্দিয়ালেও নেপাঁও। আজি flower show, কালি pastoral play আকৌ এদিন কেম্ব্ৰিজৰ আৰু তাৰ ওচৰৰ বাটবোৰত ফুৰা। ঘৰত মুঠেই নাছিলোঁ, কেৱল খাবলৈ আৰু শুবলৈ গৈছিলোঁ। খোৱা-টোও কেতিয়াবা কেতিয়াবা বন্ধুবৰ্গৰ ঘৰ rooms-অত হৈছিল। pastoral play আমাৰ আসামৰ লৰাবিলাকে সুকলমে কৰিব পাৰে। তাত মই Much Ado About Nothing পাষ্টৰেল্ প্লে চাইছিলোঁ। কেম্ব্ৰিজৰ ছাত্ৰসকলেই কৰিছিল বোধকৰোঁ। ইয়াত scene ছিন-টিনৰ বিশেষ দৰকাৰ নাই। সমুখৰ আৰ-কাপোৰখন হলেই হয়। ওপৰত একো নেথাকে। অৱশ্যে ষ্টেজৰ দুই কাষে অলপ আৰ থাকে। গছ ফুলেই স্ক্ৰীনৰ কাম কৰে। আমাৰ ভাবনা আৰু ৰঙ্গপ্ৰিয় ডেকাসকলে এবাৰে এনেকৈ নাট কৰি পৰীক্ষা কৰি চাব পাৰে।

কেম্ব্ৰিজৰ বিশেষ বিবৰণ এই বিলাতৰ কথাতে কেম্ব্ৰিজ শীৰ্ষক এখনি চিঠি লেখিবলৈ আগলৈ ইচ্ছা ৰাখিলোঁ।

স্কুলৰ এজন মাষ্টৰে মোক সুধিছিল, "Borooah, are you fond of fishing?" মই কৈছিলোঁ যে মই কেতিয়াও মাছ মৰা নাই ; কিন্তু এবাৰ মাৰি চালে বেয়া নহয়, Then come and spend a week with me at Huntingdon, we shall hire a boat, etc. etc." পাছত মই ভাবিলোঁ, যে এই ছয় সপ্তাহ summer holidaysৰ এ সপ্তাহ তেওঁৰ লগতে কটোৱা ভাল। কেম্ব্ৰিজ এৰি কথামতে হান্টিংডন্‌লৈ গলোঁ। এই চহৰখনি Ouse (উজ্) নদীৰ ওপৰত। এই নদীখনিৰ বিষয়ে কুপাৰ ( Cowper ) পাঠী সকলোৱে জানে। Huntinigdon-অৰ পাছত Devushirৰ Paignton বুলি ঠাই এখনলৈ গৈছিলোঁ। তাৰ পাছত লণ্ডনত দুদিনমান। শেহত Chelmsford। এই-বোৰ ঠাইৰ বিষয়ে অহা বাৰলৈ লেখিম।

গ'ল বাৰ বিলাতৰ চিঠিত এটি ভুল আছিল। ১৮৮৬ নহৈ প্ৰথম লাইনত ১৮৯৬ হে হব। ইতি—

শ্ৰীজ্ঞানদাভিৰাম বৰুৱা।

---



# বিয়াৰ নাম।

## কইনাৰ নোৱনিত গোৱা নাম।

স্নান কৰি ৰুকুণীয়ে মূৰত দিলে হাত।
স্বৰ্গৰপৰা পেলাই দিলে পুষ্প পাৰিজাত ॥
স্নান কৰি ৰুকুণীয়ে মূৰত দিলে হাত।
স্বৰ্গৰপৰা দেৱগণে কৰে আশীৰ্ব্বাদ ॥
স্নান কৰি ৰুকুণীয়ে দুৰ্গাত মাগে বৰ।
জন্মে জন্মে মোৰ স্বামী হৌক দামোদৰ ॥

গা ধুই আইটীয়ে মাকক সুধিলে, কি ফুল পিন্ধিব পায়।
সেউতী পিন্ধিবা, মালতী পিন্ধিবা, পিন্ধিবা থৰিকাজাই ॥
আইটীক নোৱাবলৈ বোঁদেও আহিছে মূৰত কুট্‌কুৰা চুলি।
ভয় খাই আইদেও উঠি লৰ মাৰিছে, যখিনী আহিছে বুলি ॥
বোকাতে পুঠি মাছ লুকায় হৰি হৰি বোকাতে পুঠিমাছ লুকায়।
আইটীক নোৱাবলৈ বৌদেও আহিছে কুঁজত ধান এপুৰা শুকায় ॥
বৰৰে ঢপলা পাত হৰি হৰি বৰৰে ঢপলা পাত।
আইটীক নোৱাবলৈ মাকজনা আহিছে, জপাৰ নোৱাৰে দাঁত ॥
নখ কাটিবলৈ নাপিতটো আহিছে, কি খাওঁ কি খাওঁ কৰে।
বাৰীৰ পাছেফালে আছে বেজেকচু, তাকে খাই খজুৱাই মৰে ॥
নাপিতৰ মাগনি, বাপাৰে তিয়নী লবি তই পাগুৰী মাৰি।
পানী লোৱা বাটী চুৰকৈ নিনিবি, টেকেলাই নিব ধৰি ॥
ধেন্দেলা নাপিতটো, ওলোমা পেটটো, নখৰ সূত কাটিলি কিয়।
দেউতাকে দেখিলে চমতা মাৰিব, উঠি লৰ নামাৰ কিয় ॥

***

হাতৰে আঙ্গুলি লোহোৱা-লুহুৰি, ভৰিৰে আঙ্গুলি ঘন।
সতী দৈৱকীয়ে সুপুত্ৰ তুলিছে, চাই থাকিবৰে মন ॥

***

কি থাই তুলিলে লাহৰী আইদেওক, কি দি বঢ়ালে চুলি।
হৰৰ ডম্বৰু যেন আইদেওৰ কঁকাল, ঘোৰাৰ ফান্দে যেন চুলি ॥
মুখলৈ কি চাবা, পূর্ণিমাৰে চন্দ্ৰ, চকু সৰগৰে তৰা।
হাতলৈ কি চাবা, হাতীৰ শুৰে যেনে, বিধতাই বিচিত্ৰ গঢ়া ॥

## দৰাৰ আগ্‌সাৰ দিয়া নাম।

দ্ৰোণ-পুত্ৰ সম আয়ু হোক বৰ্দ্ধমান হে ৰাম ৰাম হোক বৰ্দ্ধমান।
দশৰথ ৰাজা সম হৈবাহা শ্ৰীমাণ হে „ ॥
ৰাঘৱ সদৃশ শত্ৰুক্ষয় তোমাৰ হোক হে „ ।
নহুষ ৰাজাৰ সম ঐশ্বৰ্য্য বাঢ়োক „ ॥
পৱনৰ তুল্য গতি হওক তুমু দেহত „ ।
দুৰ্য্যোধন সম মান পাবা জগতত „ ॥
সূৰ্য্যৰ সমান তেজ হৈবেক তোমাৰ „ ।
হলধৰ সমবল হৈবে সাৰে সাৰ „ ॥
ধৰ্ম্মপৰায়ণ হৈবা কুন্তী-পুত্ৰ সম „ ।
জ্ঞানত বিদুৰ সম হৈবা অনুপম „ ॥
হৰিৰ প্ৰসাদে বাঞ্ছা হৈবেক পূৰণ „ ।
নাৰায়ণ স্মৰি সবাৰ আশীষ বচন „ ॥

•••

আমৰসাৰ আশীৰ্ব্বাদ দিয়া আয়তী হে।
দুৰ্ব্বাক্ষত শিৰে দিয়া পাবোক উকলি হে ৰাম ৰাম পাবোক উকলি ॥
দিব্য ঘটৰ জল দিবা যশোদা সুন্দৰী হে „ যশোদা সুন্দৰী।

আশীৰ্ব্বাদ কৰিয়োক,
ৰামৰ শিৰে ধৰিয়োক,
মনৰ বাঞ্ছা সিদ্ধি হোক,
সুমঙ্গল বসতি হোক।
সবে বোলা জয় জয় ॥

শ্ৰীপদ্মাবতী দেবী ফুকননী।

---